অৰ্জ্জুন-সংবাদ

বা

অৰ্জ্জুন-গীতা

বৰকতকী কোম্পানী

যোৰহাট

যোগমায়া-প্ৰিণ্টিং-ওৱাৰ্কসত

ব্ৰহ্মচাৰী শশিভূষণ দ্বাৰা মুদ্ৰিত

1926

[বেচ ৵০ অনা মাত্ৰ

নিবেদন ।

এই ধৰ্ম্ম পুৰাণ পুথি খনি কোন ৺মহাপুৰুষে ৰচিছিল তাৰ কোনো উদ্দেশ্য পোৱা নেযায়, কৃষ্ণৰ কিঙ্কৰ বুলি পদৰ অন্তত ভণা আছে; কীৰ্ত্তনত কৃষ্ণৰ কিঙ্কৰ ভণিছে, সেই বুলি ইয়াকো শঙ্কৰে ৰচা নহয় বোধ হয়, লগৰ কোনো ভকতে শঙ্কৰৰ মহিমাৰ চিন পাই ও জানি লিখা বুলি অনুমান কৰো । সি যি নহওক, এই ধৰ্ম্ম পুৰাণত বহুত মহাজ্ঞান ও ধৰ্ম্মৰ কথা লিখা আছে, ইয়াক বহুমূল্য ৰত্ন ভাবি সাঁচি পতিয়া পুথিৰ পৰা সংগ্ৰহ কৰা হল । আৰু কাললৈ লোপ নেপাবৰ হেতুকে লুপ্ত ৰত্ন উদ্ধাৰ কৰা যায় । কোনো মহাত্মা জনে এই পুৰাণ ৰচণাকাৰীৰ পৰিচয় দিব পাৰিলে তেওঁৰ ওচৰত আমি কৃতজ্ঞ মানিম । শ্ৰীযুত কৃষ্ণ পদ বৰুয়া পণ্ডিত মহোদয়ৰ উদগণি পাই আমি এই ৰত্ন ফেৰি ৰাইজৰ আগলৈ দাঙ্গি ধৰা হৈছে, স্বদেশ হিতৈষী গণে একোখনিৰ গ্ৰাহক হৈ এনে লুপ্ত ৰত্ন উদ্ধাৰাৰ্থে সহায় কৰি উৎসাহ দিব । আমাৰো যত্ন ও জনম সাফল ভাবো । জ্ঞানী জনেও যেন দায় নধৰে । ইতি ১।১১।০৮

শ্ৰীযোগেশ্বৰ লাহন, নহাট ।



কৃষ্ণ কৃষ্ণ কৃপালত্বং অগতিমাং গতির্ম্মম ।
সংসার নর মগ্নোহি প্রসীদ পরমেশ্বর ॥

———:০:———

বরমশি ধারা তরু তলে বাস, বরসি হরিক্ষা বর মৃগবাস বরমিহ ঘোর নরকে মরণং নচ ধন গর্ব্বিত বান্ধব শরণং ॥

ধৰ্ম্ম পুৰাণ ।

—:0:—

শ্ৰীকৃষ্ণায় নমঃ ।

পদ ।

জয় জয় কৃষ্ণ বিষ্ণু দেৱ নিৰঞ্জন ।
জয় দামোদৰ দেৱ দৈৱকী নন্দন ॥
জয় জয় কৃষ্ণ প্ৰভু অনাদি অনন্ত ।
অনন্তে হাজাৰ যুগে অন্ত নপাৰন্ত ॥১
নমো নমো লক্ষ্মীকান্ত নমো আদি দেৱ ।
দিগপাল গণে যাক নিতে কৰে সেৱ ॥
যোগি যাক ধ্যানত চিন্তিয়া নপাৰয় ।
ব্ৰহ্মাহৰ পুৰন্দৰে যাক উপাশয় ॥ ২
হেন হৰি আসি ভৈলা দৈৱকী তনয় ।
খণ্ডিলা ভুমিৰ তাপ প্ৰভু কৃপাময় ॥
পৃথিবীৰ ভাৰ হৰি বৈকুণ্ঠক গৈলা ।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম পৃথিবীত থৈলা ॥৩

হেন মাধৱৰ পাৱে কৰো নমস্কাৰ।
কোটি জনমৰ হৌক পাপ ক্ষয়ঙ্কাৰ॥
নমো মাধৱৰ পাৱে পশিলো শৰণ।
হুয়োক প্ৰসন্ন মোত নাথ নাৰায়ণ॥৪
নমো নমো দামোদৰ প্ৰভু হৃষিকেশ।
হৃদয়ত থাকিমোক দিয়ো উপদেশ॥
গুৰুৰ চৰণ মনে কৰিলোহো আশা।
অল্পমতি হুয়া বৰ কৰিলো ভৰসা॥৫
লোভ মোহ কাম ক্ৰোধ আছে নানাদম্ভ।
মহামুৰ্খ হুয়া পদ কৰিলো আৰম্ভ॥
বাসুদেৱ যত ভক্ত বন্দনি আবাৰ।
ধৰ্ম্ম পুৰাণৰ পদ কৰিলো প্ৰচাৰ॥৬
মহা মূঢ় বিনয়ৰ তৰণি উপাই।
গৃহতে থাকিয়া যেনমতে ধৰ্ম্ম পাই॥
যদি বড়া টুটা হোৱে মতি অনুমানে।
জিজ্ঞাসিয়া নিন্দিবন্ত পাছে সাধু নৰে॥৭
বোলো কৰযোৰে শুনা সবে সভাসদ।
নিশবদে শুনা ধৰ্ম্ম পুৰাণৰ পদ॥
লেখিলোহো বহু পদ পুৰাণক চাই।
গৃহাশ্ৰমী লোকে যেন মতে ধৰ্ম্ম পাই॥৮

অল্পতেজ অল্প আয়ু হৈব অল্পমতি।
কেনমতে নৰলোকে লাবিবেক গতি॥
বৈকুণ্ঠত এহি কথা কৈলা নাৰায়ণ।
ব্ৰহ্মাৰ আগত প্ৰশংসিলা ঘনেঘন॥৯
নাৰায়ণে গোপ্য কথা কহিবাক লৈলা।
শুনিয়া ব্ৰহ্মাৰ মনে আনন্দিত ভৈলা॥
নাৰায়ণে বোলে কাৰ্য্য ভৈলা বিসঙ্গতি।
কি নিয়ো জগত লোকে নাচাইলেক গতি॥১০
নিজা জীৱ তাৰিবাক মনে ইচ্ছা ভৈলা।
এতেকেসে কলি যুগে ধৰ্ম্ম কৰি থৈলা॥
ধৰ্ম্ম কলিযুগে ভৈলা ধৰ্ম্ম ৰাম নাম।
একবাৰ উচ্চাৰিলে পাৱে মুখ্য কাম॥১১
সদায়ে লৱয় নাম যিটো নৰ চয়।
দেৱতা পদক পায়ে বৈকুণ্ঠ চলয়॥
এতেকেসে তুমি আমি জন্মিবো কলিত।
সন্ত মুৰ্ত্তী গুৰু ৰূপে তাৰিবো তহিত॥ ১২
অংশকলা বিভূতিক সবাকে আনিলা।
এতেকেসে কলি ধন্য ধন্য বুলি কৈলা॥
এতেকেসে নৰলোক আন কাম এৰি।
একান্তে ভজিয়ো পুৰ্ণানন্দ দেৱ হৰি॥ ১৩

হেন মাধৱৰ পাৱে কৰো নমস্কাৰ।
কোটি জনমৰ হৌক পাপ ক্ষয়ঙ্কাৰ॥
নমো মাধৱৰ পাৱে পশিলো শৰণ।
হুয়োক প্ৰসন্ন মোত নাথ নাৰায়ণ।৪
নমো নমো দামোদৰ প্ৰভু হৃষিকেশ।
হৃদয়ত থাকিমোক দিয়ো উপদেশ॥
গুৰুৰ চৰণ মনে কৰিলোহো আশা।
অল্পমতি হুয়া বৰ কৰিলো ভাবসা।৫
লোভ মোহ কাম ক্ৰোধ অছে নানাদম্ভ।
মহামুৰ্খ হুয়া পদ কৰিলো আৰম্ভ॥
বান্ধলো যত ভক্ত বন্দনি আৰাৰ।
ধৰ্ম্ম পুৰাণৰ পদ কৰিলো প্ৰচাৰ।৬
মহা মূঢ় বিষয়ৰ তৰণি উপাই।
গৃহতে থাকিয়া যেনমতে ধৰ্ম্ম পাই।
যদি বড়া টুটা হোৱে মতি অনুমানে।
জিজ্ঞাসিয়া নিন্দিবন্ত পাছে সাধু নবে॥৭
বোলো কৰযোৰে শুনা সবে সভাসদ।
নিশবদে শুনা ধৰ্ম্ম পুৰাণৰ পদ॥
লেখিলোহো বহু পদ পুৰাণক চাই।
গৃহাশ্ৰমী লোকে যেন মতে ধৰ্ম্ম পাই।৮

অল্পতেজ অল্প আয়ু হৈব অল্পমতি।
কেনমতে নৰলোকে লভিবেক গতি ॥
বৈকুণ্ঠত এহি কথা কৈলা নাৰায়ণ।
ব্ৰহ্মাৰ আগত প্ৰশংসিলা ঘনেঘন ॥৯
নাৰায়ণে গোপ্য কথা কহিবাক লৈলা।
শুনিয়া ব্ৰহ্মাৰ মনে আনন্দিত ভৈলা ॥
নাৰায়ণে বোলে কাৰ্য্য ভৈলা বিসঙ্গতি।
কি নিয়ো জগত লোকে লভাইলেক গতি ॥১০
নিজা জীৱ তাৰিবাক মনে ইচ্ছা ভৈলা।
এতেকেসে কলি যুগে ধৰ্ম্ম কৰি থৈলা ॥
ধৰ্ম্ম কলিযুগে ভৈলা ধৰ্ম্ম ৰাম নাম।
একবাৰ উচ্চাৰিলে পাৱে মুখ্য কাম ॥১১
সদায়ে লৱয় নাম বিটো নৰ চয়।
দেৱতা পদক পায়ে বৈকুণ্ঠ চলয় ॥
এতেকেসে তুমি আমি জন্মিবো কলিত।
সন্ত মুৰ্ত্তী গুৰু ৰূপে তাৰিবো তহিত ॥ ১২
অংশকলা বিভূতিক সবাকে আনিলা।
এতেকেসে কলি ধন্য ধন্য বুলি কৈলা ॥
এতেকেসে নৰলোক আন কাম এৰি।
একান্তে ভজিয়ো পুৰ্ণানন্দ দেৱ হৰি ॥ ১৩

নীতি নৈমিত্তিক সবে কহো ভাগকৰি ॥
গৃহতে থাকিয়া তৰিয়োক নীতিধৰি ॥
স্বৰূপক নাপাসবে নীতিক নেৰায় !
সিজনা জানিবা সুখে সংসাৰ তৰয় ॥ ১৪
নানা শাস্ত্ৰ গুৰু মুখে শুনিয়া থাকয় ।
তথাপিতো পথ এৰি বিপথে চলয় ॥
ভক্তি বলে পৰ ধৰ্ম্ম যিজনে হৰয় ।
সিজনক নৈমিত্তিক নীতিক লাগয় ॥ ১৫
বেদৰ বিহিত যত সবে আচৰিবো ।
অন্য দেৱতাক নিন্দি গুৰুক নিন্দিবো ॥
অন্য অন্য মিলি কহিবেক কৃষ্ণকথা ।
গুৰু যিটো জ্ঞান কহে নেৰিবা সৰ্ব্বথা ॥ ১৬
শাস্ত্ৰে যিটো কহে কথা নকৰিবা হেলা ।
ব্ৰাহ্মনক নিন্দা নকৰিবা কোনো বেলা ॥
বৈষ্ণৱক নিন্দা কৰি অধোগতি যাই ।
পিতৃ মাতৃ নিন্দা কৰিলেও গতি নাই ॥ ১৭
সমস্ত দেৱৰ পিতৃ দেৱ নিৰঞ্জন ।
তথাপি জানিবা ইতুই হানো কাৰণ ॥
এহিজানি পিতৃ মাতৃ কৰিয়ো শুশ্ৰূষা ।
মূল বস্তু কৰি তাক নকৰিবা আশা ॥ ১৮

যদি থাকে পুত্ৰ ভাৰ্য্যা ভকত মানিবা।
লাথিচৰ নামাৰিবা কেশে নধৰিবা ॥
জানা সমস্তৰে হৰি আছে হৃদয়ত।
ভাবিতে বিযোগ জানা নাহিকে বেকত ॥ ১৯
এহিজানি পশু শৰীৰকো হৰি মানি।
কদাচিতো বিনা দোষে নকৰিবা হানি ॥
আৰু এক কথা কহো শুনিয়ো সম্প্ৰতি।
নিস্কামে কৰিয়ো সবে কৃষ্ণত ভকতি ॥ ২০
বিষ্ণুত নিবেদি কৰিবেক কৰ্ম্ম যত।
পিতৃ মাতৃ তুষ্ট হইবেক যিবেলাত ॥
হৰিত অৰ্পিয়া যদি ৰন্ধ নকৰয়।
গোমাংস সদৃশ দ্ৰব্য অশুচি হোয়ৰ ॥ ২১
প্ৰাতঃসতে নিদ্ৰাৰ জাগিয়া নাম লৈবো।
দিবসৰ কৰ্ম্ম মনে হৰিত অৰ্পিবো ॥
স্নান কৰি শুদ্ধ হৈয়া ভাগৱত থৈয়া।
হৰিক কৰিবা সেৱা গুৰুক ভাবিয়া ॥ ২২
নমো মন্ত্ৰে কৃষ্ণক জপিবা সৰ্ব্বক্ষণে।
তাত পাছে বিষ্ণু পাৰে নিবেদিব অন্নে ॥
ভোজন কৰন্তে হাসে কুকথা কহয়।
বিষ্ঠাৰ সমান অন্ন অশুচি হোৱয় ॥ ২৩

উত্তম ভকতি যিটো কৰিয়া আছয় ।
নিজনক নীতি নৈমিতিক নলাগয় ॥
নাহি হানি নাহি ক্ষতি হৰিৰ নামত ।
এতেকেসে নাম সদা নেৰিবা মুখত ॥ ২৪
হৰি নাম নকৰিলে পাতেক লাগয় ।
যেন হস্তী ধোৱে তুনাই মল হোৱয় ॥
পদ্ম পুৰাণৰ ইটো নাম মালিকাত ।
এহি কথা কহি আছে আৰু যে গীতাত ॥২৫
শুনিওক সভাসদ গৃহাশ্ৰমী পদ ।
গৃহত থাকিয়া সুখে তৰয় আপদ ॥
নাহিকে চেতন দেহা পৰে কোন দিনা ।
নাম লৈয়া নিস্তাৰিয়ো যমৰ যাতনা ॥২৬
নাহিকে মনত যম পুৰে যাইবে লাগে ।
নিমিষেকে ধৰিবেক পশু যেন বাঘে ॥
চেতন লভিয়া নৰ ভজা গুৰু যাস্তে ।
বেহায়ো ভাৰত হাত আউৰ বেলি নাতে ॥২৭
আয়ু ক্ষেণে ক্ষেণে যাই সুমৰিতে হৰি ।
কাল গ্ৰাহে অন্তকে কেশত আছে ধৰি ॥
যমৰ কিঙ্কৰে পাইলে হইবে সৰ্ব্বনাশ ।
এহি জানি কৰা বন্ধু মাধৱক আশ ॥২৮

নকৰিয়ো গৰ্ব্ব কৰিয়োক দাস কৰ্ম্ম।
গৃহতে থাকিয়া কৰিওক সবে ধৰ্ম্ম ॥
সমস্তে ধৰ্ম্মত কৰি নাম ধৰ্ম্ম সাৰ।
নামেসে কৰিবে পাৰে পুৰুষ উদ্ধাৰ ॥২৯
বেদৰ বিহিত যত সবে ধৰ্ম্ম চয়।
তাহাকে নেৰিলে নামে নিৰ্ব্বাস কৰয় ॥
বেদক নিন্দিবো তাক নানিবা মনত।
বেদ প্ৰাণহিত ধৰ্ম্ম বোলে ভাগৱত ॥৩০
সমস্ত সমাজে শুনিয়োক মন কৰি।
গৃহত থাকিয়া সুখে বোলা হৰি হৰি ॥
মুখে বোলা ৰাম তৰিবাৰ কৰা কাম।
লাগোক পাপত জুই বোলা ৰাম ৰাম ॥

———:0:———

জুলড়ি।

আত অনন্তৰে শুনা নিৰন্তৰে
গৃহৰ যেন ভকতি।
গৃহতে থাকিয়া কৃষ্ণক ভজিয়া
পাৱয় পৰম গতি ॥
যিটো নাম লয় হৰি তাৰ হয়
চক্ৰ ধৰি ফুৰে ৰাখি।

যদিবা অসত্য কৰা কোনো নৰে
প্ৰহ্লাদত লোৱা সাক্ষী ॥৩১

হিৰণক্ষ পুত্ৰ প্ৰহ্লাদ কুমৰ
গৃহতে ভকতি কৰি ।
বালেকৰ পৰা আন আশা এৰি
ভজিলন্ত শ্ৰীহৰি ॥
আপুনিয়ো গান্ত আনকো শিখান্ত
পিতৃৰ মাতৃৰ সঙ্গে ।
দৈত্যৰ চৰাল আনিয়া প্ৰহ্লাদ
দেখাৱন্ত জ্ঞান ৰঙ্গে ॥৩২

দৈত্য শাস্ত্ৰ যত নলয় মনত
হৰিকেসে কৰে ধ্যান ।
হৰি ব্যতিৰেকে আনো নাহি ক[illegible]
এহিমে দেখায়ো জ্ঞান ॥
শুনা শিশুগন ভজা নাৰায়ণ
গৃহৰ এৰিয়ো আশ ।
টাটকে নাটকে কেদিন জীৱন
হুয়ো মাধৱৰ দাস ॥৩৩

সেহি দিনা ধৰি যত শিশুগণে
প্ৰহ্লাদৰ জ্ঞান কৈলা ।

দেখি যন্ধামৰ্কে ৰাজাক বোলয়
তযু পুত্ৰ দুষ্ট ভৈলা ॥
শুনি হিৰণাক্ষ মাৰিবাক লাগি
নানান দুৰ্গতি দিলা ।
বালেকৰ পৰা যাতো ভজিলেক
এতেকে হৰি ৰাখিলা ॥৩৪
শুনা নৰ নাৰি বিলম্ব নকৰি
ভজিয়োক হৰি পাৰে ।
আপুনি ঈশ্বৰ মহা ভাগৱত
তথাপিতো কেন ভাৱে ॥
আনো গৃহবাসী ভজিলা উপাসি
ইহাৰ কহো কাৰণ ।
গৃহতে থাকিয়া পুত্ৰ ভাৰ্য্যা সঙ্গে
ভজিলন্ত নাৰায়ণ ॥৩৫
ব্ৰজৰ যুৱতি বৈকুণ্ঠৰ পতি
তুষ্ট ভৈলা নাৰায়ন ॥
নন্দ যশোদাৰ ব্ৰজৰ লোকৰ
আন নাহি কিছু মতি ।
শয়নে ভোজনে সদা ৰঙ্গমনে
কৰন্ত হৰি ভকতি ॥৩৬

কৃষ্ণ ভাৱনাক ভাবিতে ভাবিতে
নয়নৰ নিৰ ঝৰে।
বৈকুণ্ঠৰ পতি অব্যক্ত ঈশ্বৰ
ব্যক্ত ভৈলা নন্দঘৰে।
গোকুলৰ লোকে ৰাত্ৰি দিনে চিন্তে
ক্ষেণেকো নেৰিবা নাম।
সেহিসে কাৰণে গোবৰ্দ্ধন ধৰি
ৰাখিলেক কৃষ্ণ ৰাম ॥৩৭
আৰু এক শুনা গৃহৰ লক্ষন
শুনিয়ো আবে পৰ্ব্বৰ।
মিথিলাৰ পতি জনক নৃপতি
ভজিলন্ত দামোদৰ ॥
শ্ৰেত দেৱনামে আছিলন্ত [illegible]
গৃহতে ভকতি কৰি।
গৃহতে থাকিয়া কৃষ্ণক ভাবিয়া
বৈকুণ্ঠক গৈলা লৰি ॥৩৮
বিপ্ৰ দামোদৰ গৃহতে থাকিয়া
একান্ত ভকতি কৰি।
ভাৰ্য্যাৰ সে সঙ্গে থাকি ৰঙ্গেধঙ্গে
ভজিলন্ত হৰি পাৰে ॥

ভাৰ্য্যাৰ বচনে বিপ্ৰ দামোদৰে
দ্বাৰকাক চলি গৈলা।
দুৰ পথ হন্তে দেখি ভগৱন্তে
আনন্দে দিন গোৱাইলা ॥৩৯
চাৰি মুঠি চিৰা কৃষ্ণক দিলন্ত
বিপ্ৰে অকপট মনে।
লক্ষ্মীয়ো সহিতে আগ বাঢ়ি আসি
সাদৰিলা নাৰায়ণে ॥
আসনে বৈসাই চৰণ ধুৱাই
গৃহৰ বাৰ্ত্তা পুছিলা।
গৃহশ্ৰেণী আৰ দুখি ভকতৰ
সন্দেশ আনি ভুঞ্জিলা। ॥ ৪০
বৈকুণ্ঠ সম্পত্তি গৃহতে থাকিয়া
বিপ্ৰ দামোদৰে পাইলা।
কাতো নাহি গতি কৰিয়া ভকতি
আনন্দে দিন গোঁৱাইলা।
শুনা সভাসদ গৃহশ্ৰেণী পদ
একমন চিত্ত হুই।
আদি জাল এৰি একমনে শুনা
লাগোক পাপত জুই। ॥ ৪১

হেন জানি নৰ ৰাত্ৰি দিনে ধৰা
দেহা যাই কোন দিনা।
মৰণ সময়ে আনে নাৰাখিবে
একে বাসুদেৱ বিনা ॥
ভাৰ্য্যা পুত্ৰ যত নযাই লগত
জীৱক নিৰন্ত ধৰি।
যেন পিঞ্জিৰাৰ সূৰ্য্যে লৈয়া যাই
পিঞ্জিৰা থাকন্ত পৰি ॥ ৪১
যেন ভঙ্গানাৱ ঘাটত এৰিয়া
কাণ্ডাৰি উঠিয়া যাই।
এক জীৱ গুতি যমে লৈয়া যাই
কাহাকো লাগ নাপাই ॥
হেন জানি নৰ হৰি পাৰে ধৰ
গুৰুক আশ্ৰয় কৰি।
আন কাম এৰি বোলা [illegible] হৰি
যাউক সংসাৰ তৰি ॥ ৪৩

———:0:———

পদ।

আৰু এক কথা কহো শুনিয়ো পূৰ্ব্বৰ।
যেন মতে ভকতৰ বশ্য দামোদৰ॥

গোকুলৰ মথুৰাত যত গৃহবাসী।
হৰি সত্যব্যক্ত জানি থাকিবা উপাসি ॥ ৪৪
স্বামীৰ সঙ্গত থাকি গোপী ভৈলা দাস।
কাম ভাৱে মাধৱক কৰিলন্ত আশ ॥
আপোনাৰ দেহাক অৰ্পিলা হৰি পাৱে।
বিষয়ত থাকি তৰিলন্ত ত্ৰাহি ভাৱে ॥ ৪৫
আৰু এককথা কহো শুনিয়ো সম্প্ৰতি।
বিষয়ত থাকি কোন কোন পাৱে গতি ॥
অক্ৰুৰ গৃহতে থাকি কৰিলা ভকতি।
শ্ৰীমতি হুয়া কুজি তাই পাইলা গতি ॥ ৪৬
সুদামা আপোন গৃহে ভকতি কৰিলা।
আন দ্ৰব্য কিছু নাই মালাক পিন্ধিলা ॥
তাতে বড় তুষ্ট ভৈলা ৰাম দামোদৰ।
অচলা ভকতি হৌক দিয়ো এহিবৰ ॥ ৪৭
বালি ৰাজা গণে পূজিলন্ত এহি ভাৱে।
আপোনাৰ দেহাক অৰ্পিলা হৰি পাৱে ॥
মথুৰাৰ নাৰিগণে থাকে স্বামী সঙ্গে।
অকপট ভাৱে সিটো পাইলা মহাৰঙ্গে ॥ ৪৮
নানাভাৱে ভাবি পুনু কৃষ্ণ তনু ভৈলা।
সি সবে মৰিয়া ঈশ্বৰত লিন গৈলা ॥

বিপ্ৰসৱে হোম কৰি পূজে নানাদেৱ।
হৰি কৈত আছে তাক নাজানিলা কেৱ ॥ ৪৯
গোৱালৰ বংশ পত্নী জানিয়া মনত।
নানা দ্ৰব্য দিলা নিয়া কৃষ্ণৰ আগত ॥
গোপগণ সঙ্গে কৃষ্ণে আনন্দে ভজিলা।
পত্নীৰ স্তুতিত বিপ্ৰে মুকুতি লভিলা ॥ ৫০
বিপ্ৰৰ পত্নীৰ কথা এহি মানে থওঁ।
অশোকৰ কথা আৱে কহিবাক লওঁ ॥
অশোক এৰিলা শোক মোহ একদিনা।
কোনে ৰাখিবেক মোক গোবিন্দত বিনা ॥৫১
এহি বুলি ধৰ্ম্ম ধৰি ক্ষেণেকে আছয়।
অশোকৰ শোক গুছি ভৈলা ব্ৰহ্মোময় ॥
হেন দেখি কালৰূপে হৰি প্ৰবেশিলা।
নিমিষেকে অশোকৰ পুত্ৰ মৰি গৈলা ॥৫২
ঋষি বোলে মোৰ মনে কিবা আৰু ভৈলা।
যিঠাইৰ পুত্ৰ আইল সিঠাইক গৈলা ॥
হাসি ঋষি বোলে মৰিবেক সৰ্ব্বজন।
চোতালত পুত্ৰ থই ৰান্ধিয়োক অন্ন ॥৫৩
হেন শুনি ভাৰ্য্যা অন্ন ৰান্ধিবাক লৈলা।
সেহি সময়ত হৰি উপস্থিত ভৈলা ॥

হাসিয়া ঈশ্বৰে মৃতকত দিলা হাত।
উঠি অশোকৰ পুত্ৰ লগাইলেক মাত ॥৫৪
উঠিয়া বসিলা যেন নিদ্ৰাৰ জাগিয়া।
শোক নেদেখিয়া হৰি বুলিলা হাসিয়া ॥
মই হৰি হুয়া শোক কৰো ঠাই ঠাই।
চাৰি গুটী প্ৰাণীৰ এটিৰো শোক নাই ॥৫৫
চাৰিয়ো উঠিয়া হৰি পাৱত পৰিলা।
হেন দেখি ঈশ্বৰে অশোক নাম থৈলা ॥
হেন জানি বন্ধু শোক এৰা সব নৰে।
অন্তকালে কাকো কেৰে ৰাখিতে নোৱাৰে ॥৫৬
মায়াৰ ৰচনা জানো পুত্ৰ ভাৰ্য্যা যত।
সমস্তে ত্যাগিয়া ধৰা হৰি চৰণত ॥
আৰু এক কথা কহো শুনিয়ো হৰিষি।
গৃহে নপশিলা পূৰ্ব্বে বকদল ঋষি ॥৫৭
বকদলে বত পত্ৰ শিৰত ধৰিলা।
অনেক হাজাৰ যুগ তপস্যা কৰিলা ॥
যিটো ব্ৰহ্মা স্ৰজি আছে প্ৰাণী নিৰন্তৰ।
তাহানে আছয় মৃত্যু মই কোন চাৰ ॥৫৮
এহি বুলি ঋষি এৰিলেক গৃহবাস।
বিষ্ণুৰ চৰণ তলে মোৰ হৌক বাস ॥

হেন জানি নৰলোক আন কাম এৰি।
গৃহতে থাকিয়া মাধৱক আশা কৰি ॥৫৯
নৰাখিবে ঘৰবাৰি পুত্ৰ ভাৰ্য্যা ভাই।
সবাৰ আগত যমে নিবেক কোবাই ॥
ৰাখন্তা নাহিকে কেহো ব্ৰহ্মাণ্ড ভুবনে।
একে বাসুদেৱৰ দুই চৰণত বিনে ॥৬০
সমস্ত জগতে মৰা জীয়া নাহি কয়।
ইটো সংসাৰত কোনে নমৰি আছয় ॥
এহি জানি নৰ তৰিবাৰ ইচ্ছা ভৈলা।
জন্মৰ সাফল ৰাম নাম হিয়ে লৈলা ॥৬১
মৰণ সময়ে ৰাখে নামৰ জহত।
ইহাৰ প্ৰমাণ আৰে লয়ো গজিন্দ্ৰত ॥
গজিন্দ্ৰক গ্ৰাহে ধৰিলেক যি বেলাত।
পশু শৰীৰত জ্ঞান লভিলা মনত [illegible]
গজিন্দ্ৰক গ্ৰাহে ধৰিলেক যি বেলাত।
হস্তিনীৰ সঙ্গে ক্ৰীড়িলেক নানা মত ॥
জলগ্ৰাহে ধৰে যেন নাহিকে মনত।
কোনে ৰাখিবেক মোক শঙ্কত বেলাত ॥৬৩
কৈৰ কালগ্ৰাহে আসি আমাক ধৰিল।
এবেসে জানিলো মোৰ মৰণ মিলিল ॥

আজি কালি কৰি প্ৰাণ যাই কোন দিনা।
ৰাখন্তা নাহিকে মোক গোবিন্দত বিনা ॥ ৬৪
অনেক হস্তিনী হস্তী আছিল ৰণত ॥
সমস্তে এৰিয়া গৈলা মৃত্যু সময়ত।
সবেও এৰিলা আশা দেখিয়া মৰণ।
কায়বাক্যমনে লৈল হৰিত শৰণ ॥ ৬৫
মনে পদ্মধৰি মন মন্ত্ৰ জপিলন্ত।
গৰুড়ত চৰি হৰি তেখনে আইলন্ত ॥
পশুজাতি বুলি ঘৃণা নকৰি শ্ৰীহৰি।
মোৰ ভক্ত বুলি তুলিলেক শুণ্ডে ধৰি ॥ ৬৬
হৰি পৰশনে মিটো পাপক নিস্তৰি।
বিমানে গৈলন্ত চতুৰ্ভুজ মায়া ধৰি ॥
পশুজাতি হুয়া ভজিলন্ত কৃষ্ণ দেৱ।
মনুষ্য ধৰি হৰি ভজিলন্ত কেৱ ॥ ৬৭
সুলভ জনম পাই হৰি নভজিলা।
গুৰু যিটো জ্ঞান দিলা তাকো পাশৰিলা ॥
কিমতে তৰিবো ঘোৰ সংসাৰৰ পাৰ।
আত্মাঘাতী হুয়া ভুঞ্জি ফুৰয়ে নিকাৰ ॥৬৮
কতবাৰ মৰি মৰি ভুঞ্জিবে নিকাৰ।
নাহিকয় গতি তাৰ চন্দ্ৰ দিবাকৰ।

শুনিয়োক সভাসদ কৰা মন থিৰ ।
অপ্ৰয়াসে তৰিবাহা মনুষ্য শৰীৰ ॥ ৬৯
কালে আছে পাছ ধৰি কৰা কোন ৰঙ্গ ।
অবশ্যে হৈবাহা কীট পটঙ্গৰ সঙ্গ ॥
হেন জানি হৰি ভজিয়োক নৰলোক ।
একান্তে ভজিয়ো পুনঃ এৰি চিন্তাশোক ॥৭০
কদাচিতো নেৰিবাহা গুৰুৰ আশ্ৰয় ।
গুৰু সেৱা সসঙ্গত ভকতি মিলয় ॥
কৃষ্ণৰ কিঙ্কৰে কহে গুৰু পাৱে ধৰি ।
নিৰন্তৰে নৰে ডাকি বোলা হৰি হৰি ॥৭১

———:0:———

ঝুলড়ি ।

গৃহ মায়া জাল পাতিলা জ[illegible]
এৰাইতে নপাৰে সন্ধি ।
হৰিকে স্মৰি গৃহকৰ্ম্ম কৰি
ভাৰ্য্যাবেশে ভৈলা বন্দি ॥
দেখিয়ো নেদেখে অজ্ঞান মনুষ্য
ভাৰ্য্যাক কৰয় আশা ।
যেহি বোলে কাক সেহিসে কৰয়
যেন গৃহ নিজ দাসা ॥৭২

আৰে নৰলোক মুকুতি মিলোক
নামত কৰাহা ৰতি।
নামেসে তাৰিবে যাতনা সংসাৰ
জীৱন্তে সাধিয়ো গতি॥
নামতেসে ৰতি গুৰুত পিৰিতি
ভকতৰ দাস কৰ্ম্ম।
মনুষ্য হইবাৰ এহিমানে মাত্ৰ
পুৰুষৰ শ্ৰেষ্ঠ কৰ্ম্ম॥৭৩
হৰি নাম ধৰ্ম্ম অধৰ্ম্ম নকৰা
শুনৰে নৰ পামৰ।
শাস্ত্ৰ সদাচাৰ গুৰু শৰণত
এৰিয়া ভুলি নমৰ॥
শুন আৰে নৰ অজ্ঞান পামৰ
কিদেখি পাগল ভৈলি।
গৰ্ভত থাকিয়া যি বোল বুলিলি
সবে পাছ কৰি থৈলি॥ ৭৪
শুনি চোৱা মন প্ৰভু নাৰায়ণ
গৰ্ভত দিলন্ত দেখা।
ভাৰন্তত গই তযু নাম লই
হৃদয়ত হৈবো আশা॥

তুমি ব্যতিৰেকে আন নিচিন্তিবা
আন নভাসিবে আমি ।
যতেক সম্পত্তি সবাকো অৰ্পিবো
তোমাৰ চৰণ স্বামী ॥৭৫
এহি বুলি গৰ্ভে বহু তুতি কৰি
তথাত বালেক গণে ।
বায়ু হৰা আসি ভুমিত পৰিয়া
আমাৰ মুহিলা মনে ॥
যত সত্যবাক গৰ্ভতে বুলিলা
সমস্তে পেলালে এৰি ।
মিছাৰ কঠিয়া বালেক সকল
মায়ায়ে পেলালা বেঢ়ি ॥৭৬
যেহেন ফান্দত হৰিনী বাজিল
লালিত বাজিল মাখি ।
অতি যত্ন কৰি যাবাক নোৱাৰে
লেতি পেতি ভৈলা আসি ।
শাস্ত্ৰ সদাচাৰে নাৰায়ণ নামে
খেৱালিত যেন মাছ ।
গুণি চোৰা মনে এড়াইবে যাতনে
কালে ধৰি আছে পাছ ।

যাক কালে পাই মুক্তক নাচাই
নিমিষেক কৰে চম্ন।
ধন জন এৰি সবে যাই মৰি
ইহাক নকৰা মন ॥৭৭

যদি কোনো নৰে মনে শঙ্কা কৰে
শাস্ত্ৰৰ তত্ত্ব বুজিয়া।
জিউ তুতি গীতা আত বিচাৰিলে
আৰ অৰ্থ সবে পাইবা ॥
নানা শাস্ত্ৰে কয় তভো জ্ঞান নাই
নামত নেদয় ৰতি।
স্বৰ্গ ৰহস্যত প্ৰমান বুজিয়ো
জীৱৰ কেনে বিপত্তি ॥৭৮

যাক মোৰ বুদ্ধি জীৱন কি ভৈলা
কেহো নাৰাখিবে পাছে ॥
ইতো সংসাৰত সবে মৰি যাই
কাক কোনে ৰাখি আছে ॥
এহি জানি নৰ বিলম্ব নকৰ
নামলোৱা গুৰু পাই।
যমৰ কিঙ্কৰে ধৰি লৈয়া যাই
ৰাখন্তা বোলান্ত নাই ॥৭৯

পিঠি পাছ হাতে গছুকি বান্ধিব
কঙ্কালে জৰি লগাই।
টাটেক নাটেক ভ.ঙ্গিবেক তোৰ
বেঙ্কামুয়া দুতে পাই ॥

দুতৰ দণ্ডিত যোঃয়া পৰবি
সুমৰিবি পূৰ্ব্ব কথা।
কিকৰি মৰিলো হৰিক এৰিলো
কেহো নকৰয় বেথা ॥৮০

কেহো বোলে ধৰ কেহো বোলে মাৰ
কেহো বোলে দেহ জুই।
জীৱন্তে দেহাক কুকুৰ সগুণে
লাৰি খাই দুই দুই।
হাতে তাঙ্ক ধৰি যম দুত গণে
গলত দিৱয় ভৰি।
তপত লোহাত শৰীৰ লাগিয়া
চিণ্ডি যাই হাত ভৰি ॥৮১
কতো খাণ্ডা ধৰি কটো হাত ভৰি
হৰি কৰ্ম্ম নকৰিলি।
ভকতক দেখি কটাক্ষে চাহিলি
হৰিৰ নাম নলৈলি ॥

সবাহে টানিয়া　　জিহ্বাক কাটিয়া
　শুনৰে নৰ পামৰ।
বড়শি লগাই　　দুই চক্ষু কাঢ়ে
　ধৰিয়া যম কিঙ্কৰে ॥৮২
তপত শলাক　　কৰ্ণত ভৰাই
　নুশুনিলি কৃষ্ণ নাম।
পুত্ৰ ভাৰ্য্যা সঙ্গে　　মহা সুখে থাকি
　নকৰিলি একো কাম ॥
অথিতিক নেদি　　কৰিলি গ্ৰহন
　ভিক্ষুক নেদিলি দান।
বৈষ্ণৱক দেখি　　কটাক্ষে চাহিলি
　গুৰুক নকৰি মান।৮৩
শয়নে ভোজনে　　পন্থত ভ্ৰমনে
　নলৈলি হৰিৰ নাম।
এহি মতে তাকো　　তপ্ত জুই আনি
　লগাৱে গাৱত ঘাম ॥
চেঙ্গা পোৱা কৰি　　হাত ভৰি বান্ধি
　ওভোটায় পুতি থয়।
কতো তুলি নিয়া　　পৰ্ব্বত ওপৰে
　তৈৰ পৰা ফেলাৱয় ॥৮৪

সকল শৰীৰ খেৰক মেঢ়াই
লগাৱয় তাক জুই।
আপোনাৰ মাংস আপুনি খাৱয়
কান্দে বিমোহিত হুই॥
তপত বালিক টানি লৈয়া যাই
তাহাতে ধৰ ফৰায়।
দুই চক্ষু কনা পন্থ নেদেখয়
তাহাতে খাকে সুখাই॥৮৫
শুনা সৰ্ব্বজন কেদিন জীৱন
এহিসে দুঃখ সবাৰ।
দুতৰ আগত যমৰাজা পূৰ্ব্বে
কহিলেক বাৰে বাৰ॥
সবে মৰি যাই যাতনা [illegible]ই
তথাপি নোপোজে জ্ঞান।
আপুনিয়ো তৰা পুৰুষ উদ্ধাৰা
হৰিক কৰিয়ো ধ্যান॥৮৬
হস্তে কৰা কাম মুখে বোলা ৰাম
হৃদয়ত ৰূপ ধৰা।
আন কাম এৰি বোলা হৰি হৰি
সুখে সংসাৰক তৰা॥

কায় বাক্য মনে হৰিৰ চৰণে
দৃঢ় ভাৱে কৰা ৰতি।
এৰি আন কাম বোলা ৰাম ৰাম
তেবেসে পাইবা সদ্গতি ॥৮৭

———:0:———

পদ।

যমৰাজা বোলে শুনিয়োক দুতগণ।
যাহাক আনিবি দুত কহিলো লক্ষণ ॥
[illegible] অধিকাৰ [illegible]ান কোন মনুষ্যৰ।
[illegible]াহোৰ আজ্ঞাত আন নকৰিবি ডৰ ॥
কোটি ব্ৰহ্মাণ্ডৰ নাথ প্ৰভু নাৰায়ণ।
থাকন্ত ভকতৰ সঙ্গে শুনা দুতগণ ॥
[illegible]াহাক দেখিলে দুত ওছৰ নযাইবি।
ভকতক দেখি দুত প্ৰণাম কৰিবি ॥৮৯
ৰাম কৃষ্ণ নাম লৈয়া থাকে যিটো নৰ।
তাক গদা ধৰিয়া ৰাখন্ত দামোদৰ ॥
যি জনে নলয়ে নাম পাতেক কৰয়।
তা[illegible]ক আনিবি দুত কহিলো নিশ্চয় ॥৯০
যাৰ জিহ্বা মুখে নাথাকয় হৰি বাণি।
সেহি[illegible]স পাতকি মোৰ আনা বান্ধি টানি ॥

সকল শৰীৰ খেৰক মেঢ়াই
লগাৱয় তাক জুই ।
আপোনাৰ মাংস আপুনি খাৱয়
কান্দে বিমোহিত হুই ॥
তপত বালিক টানি লৈয়া যাই
তাহাতে ধৰ ফৰায় ।
দুই চক্ষু কনা পন্থ নেদেখয়
তাহাতে থাকে সুখাই ॥৮৫
শুনা সৰ্ব্বজন কেদিন জীৱন
এহিসে দুঃখ সবাৰ ।
দুতৰ আগত যমৰাজা পূৰ্ব্বে
কহিলেক বাৰে বাৰ ॥
সবে মৰি যাই যাতনা ভুঞ্জা[illegible]
তথাপি নোপোজে জ্ঞান ।
আপুনিয়ো তৰা পুৰুষ উদ্ধাৰা
হৰিক কৰিয়ো ধ্যান ॥৮৬
হস্তে কৰা কাম মুখে বোলা ৰাম
হৃদয়ত ৰূপ ধৰা ।
আন কাম এৰি বোলা হৰি হৰি
সুখে সংসাৰক তৰা ॥

কায় বাক্য মনে হৰিৰ চৰণে
দৃঢ় ভাৱে কৰা ৰতি।
এৰি আন কাম বোলা ৰাম ৰাম
তেবেসে পাইবা সদ্গতি ॥৮৭

———:o:———

পদ।

যমৰাজা বোলে শুনিয়োক দুতগণ।
যাহাক আনিবি দুত কহিলো লক্ষণ ॥
অধিকাৰ কোন কোন মনুষ্যৰ।
যাহোৰ আজ্ঞাত আন নকৰিবি ডৰ ॥
কোটি ব্ৰহ্মাণ্ডৰ নাথ প্ৰভু নাৰায়ণ।
থাকন্ত ভক্তৰ সঙ্গে শুনা দুতগণ ॥
তাহাক দেখিলে দুত ওছৰ নযাইবি।
ভকতক দেখি দুত প্ৰণাম কৰিবি ।৮৯
ৰাম কৃষ্ণ নাম লৈয়া থাকে যিটো নৰ।
তাক গদা ধৰিয়া ৰাখন্ত দামোদৰ ॥
যি জনে নলয়ে নাম পাতেক কৰয়।
তাহাক আনিবি দুত কহিলো নিশ্চয় ॥৯০
যাৰ জিহ্বা মুখে নাথাকয় হৰি বাণি।
সেহিসে পাতকি মোৰ আনা বান্ধি টানি ॥

সকল শৰীৰ খেৰক মেঢ়াই
লগাৱয় তাক জুই ।
আপোনাৰ মাংস আপুনি খাৱয়
কান্দে বিমোহিত হুই ॥
তপত বালিক টানি লৈয়া যাই
তাহাতে ধৰ ফৰায় ।
দুই চক্ষু কনা পন্থ নেদেখয়
তাহাতে থাকে সুখাই ॥৮৫
শুনা সৰ্ব্বজন কেদিন জীৱন
এহিসে দুঃখ সবাৰ ।
দুতৰ আগত যমৰাজা পূৰ্ব্বে
কহিলেক বাৰে বাৰ ॥
সবে মৰি যাই যাতনা ভুঞ্জায়
তথাপি নোপোজে জ্ঞান ।
আপুনিয়ো তৰা পুৰুষ উদ্ধাৰা
হৰিক কৰিয়ো ধ্যান ॥৮৬
হস্তে কৰা কাম মুখে বোলা ৰাম
হৃদয়ত ৰূপ ধৰা ।
আন কাম এৰি বোলা হৰি হৰি
সুখে সংসাৰক তৰা ॥

কায় বাক্য মনে হৰিৰ চৰণে
দৃঢ় ভাৱে কৰা ৰতি।
এৰি আন কাম বোলা ৰাম ৰাম
তেবেসে পাইবা সদ্গতি ॥৮৭

——:০:——

পদ।

যমৰাজা বোলে শুনিয়োক দুতগণ।
যাহাক আনিবি দুত কহিলো লক্ষণ ॥
ই অধিকাৰ কোন কোন মনুষ্যৰ।
তাহোৰ আজ্ঞাত আন নকৰিবি ডৰ ॥
কোটি ব্ৰহ্মাণ্ডৰ নাথ প্ৰভু নাৰায়ণ।
থাকন্ত ভক্তৰ সঙ্গে শুনা দুতগণ ॥
তাহাক দেখিলে দুত ওছৰ নযাইবি।
ভকতক দেখি দুত প্ৰণাম কৰিবি ।৮৯
ৰাম কৃষ্ণ নাম লৈয়া থাকে যিটো নৰ।
তাক গদা ধৰিয়া ৰাখন্ত দামোদৰ ॥
যি জনে নলয়ে নাম পাতেক কৰয়।
তাহাক আনিবি দুত কহিলো নিশ্চয় ॥৯০
যাৰ জিহ্বা মুখে নাথাকয় হৰি বাণি।
সেহিসে পাতকি মোৰ আনা বান্ধি টানি ॥

বচনতো কতো লোকে গুৰু বুলিবেক ।
মনে চিতে জানা সিটো আন ভাবিবেক ॥৯১
নিজন আমাৰ ভৈলে নাহি কিছু ভয় ।
জান্তে বান্ধি আন তাক টাঙ্গোনে কোবাই ॥
ভক্তক নিন্দি যিটো গুৰুক নিন্দয় ।
তাহাক আনিবি দূত কহিলো নিশ্চয় ॥৯২
মোৰ দন্দা শুনি যিটো ভয় নকৰয় ।
পুত্ৰ ভাৰ্য্যা সঙ্গে থাকি হৰিক ভজয় ॥
তাহাৰ বিফল জীৱনতে ভৈলা থয় ।
শীঘ্ৰে দূত আনি মোক তাহাক ঠেকয় ॥৯
নাক কান কাটি তাক তৈল্যত পেলায় ।
পাৰামানে দণ্ডিকৰ নাহিকে সংশয় ॥
চোৰ কৰি আনে যিটো পৰৰ দ্ৰব্যক ॥
শীঘ্ৰে দূত আন তাক ভুঞ্জাৱেঁা নৰক ॥৯৪
প্ৰাণী হিংসা কৰে আক থাকে পীড়া কৰি ।
দোলে বান্ধি কাটি মাৰি আন দণ্ডি কৰি ॥
সীমাক থেলিয়া মাটি লৰে যিটো জন ।
তাহাৰ নাহিকে ৰক্ষা শুনা দূতগণ ॥৯৫
তাক মাটি ভাৰ দিয়া আনিবি সম্প্ৰতি ।
মাটিত পুতিবে লাগে নাহি তাৰ গতি ॥

ৰজস্বলা স্ত্ৰীৰ সঙ্গে যিজন থাকয়।
তাহাক আনিবি দুত কহিলো নিশ্চয় ॥৯৬
নকৰয় শ্ৰদ্ধা যিটো হৰিৰ নামত।
শীঘ্ৰে দুত গৈয়া জৰি লগায়ো গলত ॥
তাক চাৰি দণ্ডিযানে ইঠাইক আনিয়া।
অ জন পাতকী সিটো ইহাকে জানিয়া ॥৯৭
হস্তেয়ে কৰয় কাম গৃহ কৃ্যকৰ্ম্ম।
মুখত নলয়ে যিতো মাধৱৰ নাম ॥
তাহাক আনিবি দুত শৰীৰ পৰয়।
সিজনক লাগি বান্ধ নিজ দাস হয় ॥৯৮
সদা নাম লয়ে যিটো হৰি বোলে মোৰ।
তাঙ্ক ইঠায়ৰ পৰা কৰো হা জোৰ ॥
গুৰুক প্ৰণাম কৰে মুখে লয়ে নাম।
তাহাঙ্ক দেখিয়া দুত কৰিবি প্ৰণাম ॥৯৯
এহি বুলি যমে প্ৰশংসিলা অজামিল।
গৃহতে থাকিয়া সুখে সংসাৰ তৰিল ॥
হেনজানি গৃহে থাকি হৰিক ভজিয়ো।
দৃষ্টান্ত সহিতে কহো ইহাক বুজিয়ো ॥১০০
যেন মতে চাকি শলা প্ৰকাশ কৰয়।
িহা মুখে মৰে ভেল অগ্নিয়ো পোৰয় ॥

সেহিমতে গুৰু মুখে নাম ধৰ্ম্ম যত ।
হৰি গুৰু এক কৰি লৈয়ো হৃদয়ত ॥১০১
হৰিৰ নামক যদি বৰ্ণাইবে নপাৰে ।
যথা তথা নাম লৈলে সংসাৰক তৰে ॥
গৰুয়েও সেৱিলন্ত দৈৱকী নন্দন ।
এহি জানি কৰিওক হৰিক বন্দন ॥১০২
নাৱ বৈথা গুৰু দিলে হাতে দিলে চৰি ।
তথাপি নহৰে পাৰ কৰা কোন বৈৰী ॥
যদি তৰিবাক ইচ্ছা কৰে কোন নৰে ।
কায় বাক্য মনে গুৰু চৰণত ধৰে ॥২ ৩
সিজন মৰিলে তৰিবাক নাহি ভয় ।
নৌকাৰ গোৰত হৰি কান্দাৰি হোৱয় ॥
হাতে ধৰি নৌকাত তোলয় গুৰু আসি ।
গুৰু সমে থাকে সিটো বৈকুণ্ঠ প্ৰকাশি ।১০৪
কনো জনে দম্ভ-কৰি গুৰু হেলা কৰে ।
অপাৰ সংসাৰ জল সাতুৰিয়া মৰে ॥
কৈত পাইবো নাৱ বৈথা কৈত পাইবো চৰি ।
কোনে কৰিবেক পাৰ নৌকা গোৰে ধৰি ॥১০৪
কতো তল যাইবে কতো ওপঙ্গি ফুৰিব ।
অপাৰ সংসাৰ পাৰ কহিতো নপাৰিব ॥

এহি জানি গুৰু পাৱে পশিলো শৰণ।
হৰ গুৰু ভক্ত নাচাৰিবো একজন ॥১০৬
চাৰিকো একত্ৰ কৰি হৃদয়ত ধৰি।
এবাৰো যমৰ দাই বোলা হৰি হৰি ॥
হেন জানি নৰলোক এড়া আন কাম।
মৃত্যু তৰিবাৰ হেতু বোলা ৰাম ৰাম ॥১০৭

——:0:——

ঢুলৰি।

আত অনন্তৰে গৃহাশ্ৰমী লোকে
শুনা একমন কৰি।
গুৰুক জানিলি ভক্তক নাজানি
কিমতে যাইবাহা তৰি॥
অনেক জনম ভ্ৰমিয়া ফুৰিয়া
ইটো নৰ তনু পাই।
ৰাত্ৰি দিনে মন কৈত পাইবো ধন
এহি সমাধিতে যাই ॥১০৮
য়েন মৰা শৱ পৰিয়া থাকয়
কুকুৰে শগুণে খাই।
পুত্ৰ ভাৰ্য্যা সবে সেহিমতে খাই
জীৱৰ তেন বিলাই।

এনয় জনম অনেক ভ্ৰমিয়া
বিষ্ঠা পলু আদি কৰি ।
বিষয়ৰ ভোগ সব জন্মে পাই
নাপাৰয় শ্ৰীহৰি ॥১০৯

যিটো দোকাণিয়ে দোকাণ পাৰিলে
হিৰা মৰকত থই ।
কিন্ কিন্ বুলি ফুৰিবে লাগিছে
নিনি আছা কিয় বই ।
যদি হেলা কৰে দোকাণ দংশিলে
ইটো বস্তু কৈত পাইবি ।
নানানা খেলনা সবেয়ো থাকিবে
পাছে সুদা হাতে যাইবি ॥১১০

এহি জানি নৰ শীঘ্ৰে যত্ন কৰ
গুৰু দোকানিক ধৰা ।
মূলক বেহাই লাভ যত পাই
সিজন্মে যত নকৰা ॥
শুনা বন্ধুলোক এৰি গৃহ শোক
ভকতক কৰা মৰ্ম্ম ।
গুৰু পা[illegible] ধৰি মুখে বোলা হৰি
গৃহ আশ্ৰমীৰ ধৰ্ম্ম ॥১১১

তিনি খান জালে গৃহক বেড়িয়ো
ইহাক নকৰা মান।
পুত্ৰ এক জাল ভাৰ্য্যা এক জাল
আৰু একজাল ধন॥
যিটো নাম লয় জালক ফালয়
ওপৰে চিৰিয়া যাই।
নামৰ চৰণে শৰণ পশিয়া
গুৰু পদে লোৱা ঠাই ১১২
হৰি ভক্তি দান সুগুণ নিৰ্গুণ
তাহাতে নাহিকে মন্দ।
গৃহাশ্ৰমী লোক মহা প্ৰিতি ভাৱে
থাকি নকৰিবা দন্দ।
যিটো গৃহে থাকি কন্দল কৰয়
তাৰ সুখ শান্তি নাই।
হৰি ভজিবেক আপুনি যিবাৰ
তাহাৰ নাহি উপাই॥১১৩
হেন জানি নৰ ৰাত্ৰি দিনে ধৰ
প্ৰীতি ভাৱে বক্তা দিন।
[illegible] অহঙ্কাৰ নকৰিবা মনে
সবাতে হইবে সম॥

এনয় জনম অনেক ভ্ৰমিয়া
বিষ্ঠা পলু আদি কৰি ।
বিষয়ৰ ভোগ সব জন্মে পাই
নাপাৰয় শ্ৰীহৰি ॥১০৯

যিটো দোকাণিয়ে দোকাণ পাতিলে
হিবা মৰকত থই ।
কিন্ কিন্ বুলি ফুৰিবে লাগিছে
মিনি আছা কিয় ৰই ।
যদি হেলা কৰে দোকাণ দংশিলে
ইটো বস্তু কৈত পাইবি ।
নানানা খেলনা সবেয়ো থাকিবে
পাছে সুদা হাতে যাইবি ॥১১০

এহি জানি নৰ শীঘ্ৰে যত্ন কৰ
গুৰু দোকানিক ধৰা ।
মূলক বেহাই লাভ যত পাই
সিজন্মে যত নকৰা ॥
শুনা বন্ধুলোক এৰি গৃহ শোক
ভকতক কৰা মৰ্ম্ম ।
গুৰু পা[illegible] ধৰি মুখে বোলা হৰি
গৃহ আশ্ৰমীৰ ধৰ্ম্ম ॥১১১

তিনি খান জালে গৃহক বেড়িয়ো
ইহাক নকৰা মান।
পুত্ৰ এক জাল ভাৰ্য্যা এক জাল
আৰু একজাল ধন॥
যিটো নাম লয় জালক ফালয়
ওপৰে চিৰিয়া যাই।
নামৰ চৰণে শৰণ পশিয়া
গুৰু পদে লোৱা ঠাই ১১২
হৰি ভক্তি দান সুগুণ নিৰ্গুণ
তাহাতে নাহিকে মন্দ।
গৃহাশ্ৰমী লোক মহা প্ৰিতি ভাৱে
থাকি নকৰিবা দন্দ।
যিটো গৃহে থাকি কন্দল কৰয়
তাৰ সুখ শান্তি নাই।
হৰি ভজিবেক আপুনি যিবাৰ
তাহাৰ নাহি উপাই॥১১৩
হেন জানি নৰ ৰাত্ৰি দিনে ধৰ
প্ৰীতি ভাৱে ৰঙ্গ দিন।
... অহঙ্কাৰ নকৰিবা মনে
সবাতে হইবে সম॥

অথবা ভূমিত পানী নবৰয়
খালক বাগৰি যাই ।
দন্ত বুলি বাম নম্ৰ বুজি খাল
ধনে ধৰ্ম্মে লৰে ঠাই ॥১১৪

যদি কোন নৰে নিন্দা বোল কৰে
তাকো সহিলেসে ভাল ।
কদাচিতো শিলা গম্ভিৰ স্বভাব
নুগুছয় একো কাল ॥
প্ৰাণ থাকে মানে নকহিবা মিছা
মিছাসে অধৰ্ম্ম পাপ ।
মিছা কথা কহে পৰক হিং:
পাছে পাৱে বহু তাপ ॥
মহা শত্ৰু যদি গৃহক আসয়
তাকো কৰিবেক মৰ্ম্ম ॥
কদাচিতো তাক হিংসা নকৰিবা
তেবে পাইবা বহুধৰ্ম্ম ।
শত্ৰু মিত্ৰ দুইকো সম দেখিবেক
সেহিসে মহন্ত জন ।
আপোন পৰক ভেদ নকৰিবা
সব দেখা নাৰায়ন ॥১১৬

শুনা সৰ্ব্বজন কেদিন জীৱন
থিৰ নহে ইটো কাই।
কৈত কোন দিন মিলেহে মৰণ
কেনে আছা বাট চাই॥
শুনা নৰলোক মৰণ মিলোক
হৰিক ভকতি কৰা।
আপুনিয়ো তৰা পুৰুষ উদ্ধাৰা
সবে কুল ৰক্ষা কৰা ১১৭
নকৰ বিলম্ব ভজিয়ো গোবিন্দ
বিষয়ৰ আশা এৰি।
কেতিক্ষণে যমে আসি লৈয়া যাই
গলত লগায় জৰি॥
কোটি কোটি জীৱ সবে মৰি যাই
কেনে আছা এহি ঠাই।
কৈৰ জীৱ গুটি কৈক লাগি যাই
তাৰ থান থিত নাই॥১১৮
যিটো নাম লয় তাৰ থিতি হয়
বৈকুণ্ঠত লৱে ঠাই।
গুৰুক স্মৰি হৃদি ৰূপ ধৰি
ফুৰা হৰি গুণ গাই॥

নাম গুৰু ভক্ত একত্ৰ কৰিয়া
হৃদয়ত দাঠি ধৰা ।
আন কাম এৰি বোলা হৰি হৰি
সুখে সংসাৰক তৰা ॥১১৯

———:0:———

পদ ।

আৰু এক কথা কহো শুনা মন কৰি ।
পূৰ্ব্বে বলিৰাজা হই ভজিলন্ত হৰি ॥
দৈত্যকুল ৰাজা ভৈলা বলি মহাশয় ।
সংসাৰ নিকাৰ দেখি মনে মহাভয় ॥১২০
ইটো গৃহবাসত নাহিকে প্ৰয়োজন ।
হৰি মহা বস্তু জানা ব্ৰহ্মাণ্ড ভুবন ।
ইটো ৰাজ্য ভাৰ দণ্ড পাট সবে মিছা ।
সবাকো ত্যাগিয়া গোবিন্দত দিলা ইচ্ছা ॥১২১
কেদিন জীবন মোৰ যাইবো অধোগতি ।
এহি বুলি দৃঢ় ভাবে কৰিলা ভকতি ॥
বড় বড় বীৰ আনি ৰাজ্য দিলা আন ।
এহি বুলি ভকতিৰ পাতিলা দোকান ॥১২২
এহি বুলি গোবিন্দৰ গাবে গুণগীত ।
হৰিৰ প্ৰসাদে সিদ্ধি হোৱয় বাঞ্চিত ॥

আপুনিয়ো গান্ত কতো আনকো শিখাই।
যিটো নাম নলরে দণ্ডব সীমা নাই ॥১২৩
কতো লোক কান কাটি কবয় ধিক্কাৰ।
কিয়নো নলয় নাম দুষ্ট দুৰাচাৰ ॥
মৰণ সময়ে ৰাখে নামৰ মহত।
ইহাৰ প্ৰমাণ আৰে লৈয়োক মনত ॥১২৪
হাতে তাল ধৰ দেখায়য় নানা জ্ঞান।
ৰাজাৰ দণ্ডিত থাকি কৰে হৰি ধ্যান ॥
কীৰ্ত্তন শুনিয়া বলি পায়য় ৰহস্য।
...লৰ ভকতি দেখি হৰি ভৈলা বশ্য ॥১২৫
হৰি নাম কাৰণতো নানা দুখ দিলা।
গৃহত থাকিয়া সুখে সংসাৰ তৰিলা ॥
বলিৰ চৰিত্ৰ আৰে এহিমানে থৈলা।
ইন্দ্ৰ দ্যুম্নৰ চৰিত্ৰ কহিবাক লৈলা ॥১২৬
ইন্দ্ৰে দ্যুম্নে গৃহে থাকি ভকতি কৰিলা।
দণ্ডপাট এড়ি সাগৰৰ তীৰে গৈলা ॥
কৈ... ধন জন জানা ভাৰ্য্যা পুত্ৰ ভাই।
মৰিলে অবশ্যে কেহো লগত নাযাই ॥১২৭
এহি বুলি মনে সাৰ কৰিলন্ত বীৰে।
নিৰ্ম্মিলন্ত দোল গৈয়া সাগৰৰ তীৰে ॥

নাম গুরু ভকত একত্র কৰিয়া
হৃদয়ত দাঠি ধৰা ।
আন কাম এৰি বোলা হৰি হৰি
সুখে সংসাৰক তৰা ॥১১৯

——:0:——

পদ ।

আক এক কথা কহো শুনা মন কৰি ।
পূৰ্ব্বে বলিৰাজা হুই ভজিলন্ত হৰি ॥
দৈ ্যকুল ৰাজা ভৈলা বলি মহাশয় ।
সংসাৰ নিকাৰ দেখি মনে মহাভয় ॥১২০
ইটো গৃহবাসত নাহিকে প্ৰয়োজন ।
হৰি মহা বস্তু জানা ব্ৰহ্মাণ্ড ভুবন ।
ইটো ৰাজ্য ভাৰ দণ্ড পাট সবে মিছা ।
সবাকো ত্যাগিয়া গোবিন্দত দিলা ইচ্ছা ॥১২১
কেদিন জীবন মোৰ যাইবো অধোগতি ।
এহি বুলি দৃঢ় ভাৱে কৰিলা ভকতি ॥
বড় বড় বীৰ আনি ৰাজ্য দিলা আন ।
এহি বুলি ভকতিৰ পাতিলা দোকান ॥১২২
এহি বুলি গোবিন্দৰ গাৱে গুণগী ...
হৰিৰ প্ৰসাদে সিদ্ধি হোৱয় বাঞ্ছি... ॥

আপুনিয়ো গান্ত কতো আনকো শিখাই।
বিটো নাম নলৱে দণ্ডৰ সীমা নাই ॥১২৩
কতো লোক কান কাটি কৰয় ধিক্কাৰ।
কিয়নো নলয় নাম দুষ্ট দুৰাচাৰ ॥
মৰণ সময়ে বাপে নামৰ মহত।
ইহাৰ প্ৰমাণ আৰে লৈয়োক মনত ॥১২৪
হাত তাল ধৰি দেখাৱয় নানা জ্ঞান।
বাজীৰ দণ্ডিত থাকি কৰে হৰি ধ্যান ॥
কীৰ্ত্তন শুনিয়া বলি পাৱয় ৰহস্য।
বলিৰ ভকতি দেখি হৰি ভৈলা বশ্য ॥১২৫
হৰি নাম কাৰণতো নানা দুখ দিলা।
গৃহত থাকিয়া সুখে সংসাৰ তৰিলা ॥
বলিৰ চৰিত্ৰ আৰে এহিমানে থৈলা।
ইন্দ্ৰ দ্যুম্নৰ চৰিত্ৰ কহিবাক লৈলা ॥১২৬
ইন্দ্ৰে দ্যুম্নে গৃহে থাকি ভকতি কৰিলা।
দণ্ডপাট এড়ি সাগৰৰ তীৰে গৈলা ॥
কোন ধন জন জানা ভাৰ্য্যা পুত্ৰ ভাই।
মৰিলে অৱশ্যে কেহো লগত নাযাই ॥১২৭
এহি বুলি মনে সাৰ কৰিলন্ত বীৰে।
নিৰ্ম্মিলন্ত দোল গৈয়া সাগৰৰ তীৰে ॥

ধন জন ভাৰ্য্যা পুত্ৰ হৰিত অৰ্পিলা।
তাতে তুষ্ট হৈয়া হৰি দাৰু বৃক্ষ ভৈলা ॥১২৮
সেহি বৃক্ষ কাটি মূৰ্ত্তী দৌলত থাপিলা।
তুষ্ট হৈয়া ৰাজা জগন্নাথ নাম থৈলা ॥
যাৱৎ চন্দ্ৰ দিবাকৰ কীৰ্ত্তিক ৰহিলা।
গৃহাশ্ৰমী হুয়া ৰাজ বৈকুণ্ঠক গৈলা ॥১২৯
গৃহাশ্ৰমী ধৰ্ম্ম সবাতেসে সাৰত্তৰ।
একান্তে ভজিয়ো যাত্ৰি দেৱ দামোদৰ ॥
যেহেন পঙ্কত পৰিলেক জীৰ্ণ গাই।
উঠিবাক চাহন্তে তলক বহি যাই ॥১৩০
সেহিমতে বিষয় পঙ্কত পৰি নৰে।
ঘোৰ সংসাৰত আৰে জান্নু কৰি মৰে ॥
আৰু এক কথা কহোঁ শুনিয়ো গৃহৰ।
ভাৰ্য্যা পুত্ৰ সঙ্গে পৰিক্ষিত নৃপবৰ ॥১৩১
সাত দিনে পাইলে গতি শুক প্ৰসাদত।
শুক গুৰু মুখে বাৰ স্কন্ধ ভাগৱত ॥
পৰীক্ষিতে কৃষ্ণ কথা শুনিলে উৎসুকে।
পুনঃ পুনঃ কহিলেক মহামুনি শুকে। ॥১৩২
লোকক কৃপায়ে কহিলেক বাৰম্বাৰ।
কলিত কীৰ্ত্তন শুনি তৰিবে সংসাৰ ॥

পৰীক্ষিত নৃপতি শুনিয়া তুষ্ট ভৈলা ।
তনুত্যাগ কৰি ৰাজা বৈকুণ্ঠক গৈলা ॥১৩৩
শুনা সভাসদ পদ কৰি একমতি ।
গৃহতে থাকিয়া কৰা কৃষ্ণত ভকতি ॥
মুখে বোলা ৰাম তৰিবাৰ কৰা কাম ।
লাগোক পাপত জুই বোলা ৰাম ৰাম ॥১৩৪

——:0:——

ছুলৰি ।

আত অনন্তৰে   শুনা নিৰন্তৰে
ভকতিৰ কেন ভাৱে ।
মহা শান্ত মূৰ্ত্তী   বিদুৰ ভকতি
ভজিলন্ত হৰি পাৱে ॥
কৌৰৱ পাণ্ডৱ   সবাকে এৰিয়া
বিদুৰৰ গৃহে গৈলা ।
বৈকুণ্ঠৰ পতি   ভগা ঘৰ দেখি
অতি আনন্দিত ভৈলা ॥১৩৫
বিদুৰৰ হাতে   ধৰি ভগৱন্তে
ভিতৰে চাই পাঞ্চলি ।
কিছু দ্ৰব্য নাই   শোৱা শয্যাবিনে
তাহাৰো নাহি চঞ্চলি ॥

আতে বসি সুখে মোৰ গুণ গাৱে
আমাসাৰ ইচ্ছাগৈলা ।
এহিবুলি হৰি চাঙ্গত উঠিয়া
দিব্য হংস তুলি লৈলা ॥ ১৩৬
দেখিয়া বিদুৰে বিস্ময় ভৈ হন্ত
মনত কৰি বিকল্প ।
মোৰ ভগাচাঙ্গে হৰি আসি শুইলা
সমূলঞ্চে গৈলোতল ॥
দেখি ভগৱন্তে বিদুৰক বোলে
মনে নকৰিবা দুঃখ ।
অনন্ত শয্যাত যেহি মতে থাকো
তাহাতো অধিক সুখ ॥ ১৩৭
মোৰ ভকতৰ কিঞ্চিত দ্ৰব্যত
পৰম সন্তোষ হওঁ
অভকতে যদি নানা দ্ৰব্য দেয়
তাহাত তুষ্ট নহওঁ ॥
গৃহাশ্ৰমী মোৰ সবাতে উত্তম
শুনিয়ো বিদুৰ তুমি ।
গৃহতে থাকিয়া কৰে অৰ্চ্চা পূজা
তাতে তুষ্ট হওঁ আমি ॥ ১৩৮

গৃহতে থাকোক উৰ্দ্দশা নহোক
যদি মোক হেলা কৰে।
শ্ৰৱণ কীৰ্ত্তন সদা নকৰয়
আত্মাঘাত কৰি মৰে॥
গৃহ্যত থাকিয়া সত্য গতি পাৱে
যতন কৰিয়া বৰ॥১৩৯
সিদ্ধ বিদ্যাধৰ যজ্ঞো নিৰন্তৰ
সবাতে ভকতি বৰ।
ঘোৰ কলি আসি মিলি বেই ঠাই
তপ জপ যজ্ঞো গৈলা।
যত তন্ত্ৰ মন্ত্ৰ আগম নিগম
হৰিৰ নামত বৈলা॥
হেন জানি নৰ হৰি পাৱে ধৰ
নাম লৈয়ো ৰাত্ৰি দিনে।
শঙ্কত বেলাত আনে নেৰাৰিবে
একল গোবিন্দ বিনে॥ ১৪০
হৰি নাম ধৰ অন্যায় নকৰ
যমৰ যাতনা বঢ়া।
হেন জনম হৰি নভজিয়া
আত্মা ঘাত কৰি মৰা॥

দুৰ্ল্লভ জনম ভাৰতত আসি
হৰি পাৱে নভজিলা ।
নাম গুৰু ভক্ত তিনিকো নাজানি
হৈবে তৰু তৃণ শিলা ॥১৪১
ইহেন জনম হেঠৰে নাপাই
এহি জনমতে গৈলা ।
নানান খেলান কৰন্তে জানিবা
আয়ু সমাপত ভৈলা ॥
নতু যায় প্ৰাণ ধৰ গুণ নাম
সবে এবা আন কাম ।
আন এৰি ধান্ধা নাম গলে বান্ধা
ডাকি বোলা ৰাম ৰাম ॥১৪২

———:0:———

ছবি ।

আজ অনন্তৰে শুনা বিপৰীত ভবিষ্য
ঘোৰ কলি পাপৰ সাগৰ ।
কলি যুগে যেন হৈব যেন মতে ভক্তি ৰৈব
পূৰ্ব্বে পাৰ্ব্বতীত কৈলা হৰ ॥
দোৰ্ঘোৰ সাগৰ কলি সবাতো কৰিয়া বলি
সবাৰো আয়ুক নিবে হৰি ।

তিনিয়ো জগত কৰি কলিসে অনাথ ভৈলা
হৰি ভজিবেক কেন কৰি ॥১৪৩
হেন শুনি পাৰ্ব্বতীয়ে হৰত পুছিবে লৈলা
কিনো বিপৰীত কথা ভৈলা।
তিনিযে জগত কৰি কলিমল মতি ভৈলা
কেনে তাক ধন্য বুলি কৈলা ॥
অল্প হাস্য কৰি হৰে প্ৰীয়াক বুলিবে লৈলা
শুনিয়োক আমাৰ বচন।
ব্ৰহ্মপুত্ৰ সমিপত বৰদ্বোৱা নামে গ্ৰাম
তাতে উপজিব নাৰায়ণ ॥১৪৪
মাধৱক সঙ্গে লই অনেকত জ্ঞান কই
নানা ভকতক লগে নিব।
অমূল্য ভাণ্ডাৰ ভক্তি তাহাকে মেলিবে গৈয়া
যাকে যেই লাগে তাক দিব ॥
যাহাতা পূৰ্ন ব্ৰহ্ম হৰি শঙ্কৰ স্বৰূপ ধৰি
পৃথিবীত অৱতাৰ ভৈলা।
অসঙ্গি জীৱক সঙ্গ কৰাইলা শৰণ দিয়া
ধন্য কলিযুগ বুলি কৈলা ॥ ১৪৫
দামোদৰ সঙ্গে গৈয়া যত যত বিপ্ৰগণ
সবলোকে ভকতি কৰিব।

শুনিয়ো পাৰ্ব্বতী তুমি তোমাত কহিবো আমি
ভজন্তাজনক তাৰি নিব ॥
যিটো জনে নভজয় হৰি মোৰ নোবোলয়
সিটো নৰকৰ হৈব ভাগি।
কায়বাক্য মনে ধৰে হৰিত শৰণ লয়ে
আসিবেক ইহাৰক লাগি ॥ ১৪৬
গকুলৰ মথুৰাৰ যিটো যিটো ভক্তগণ
সৰ্ব্ব লোক পৃথিবীক যায়।
হৰিৰ মায়ায়ে যাক বান্ধিবাক নপাৰয়
সেহি শুদ্ধ ভক্তি আচৰয় ॥
শুদ্ধ ভক্ত সবে গই সন্তৰূপে পৃথিবীত
প্ৰচাৰিবে অনেক ভকতি।
সেহিসে ভকতি ধৰি অসংখ্য আসিবে তাৰ
গোপ্য কথা কহিলো পাৰ্ব্বতী ॥ ৪৭
হেন সন্ত সঙ্গ পাই হৰি ভক্তি যাৰ নাই
তাহাক ৰাখিবে কোন আনে।
আপোনাৰ মৰণক আপুনি চিন্তিলে সিটো
তাক ধৰি নিব দূতগণে ॥
কতোবাৰ মৰি মৰি উপজিব ধৰি তনু
নিস্তে নিস্তে কহিলো পাৰ্ব্বতী।

কতোবাৰ মৰি মৰি নৰক পচিবে সিটো
মহা প্ৰলয়ত পাইব গতি ॥ ১৪৮
শুনিয়োক সৰ্ব্বজন কৃষ্ণত অৰ্পিয়ো মন
আজি কালি মিলিবে মৰণ।
যিটো জন মৰি গৈলা তাৰ কৈত থিতি ভৈলা
ধৰা সবে কৃষ্ণৰ চৰণ ॥
কৃষ্ণৰ কিঙ্কৰে গাই কেতিক্ষণে দেহা যাই
যমে লগাইলেক গলে জৰি।
ৰাৰাখিবে ভাৰ্য্যা ভাই পথতো মাতন্তা নাই
জানি ডাকি বোলা হৰি হৰি ॥ ১৪৯

———:0:———

পদ।

শুনিয়ো গৃহৰ দোষ আত অনন্তৰে।
যিটো গৃহে মাধৱক ভকতি নকৰে ॥
বিষয়ত আতি আশকতি যাৰ মনে।
পৰৰ ধনক লাগি চিন্তে ৰাত্ৰি দিনে ॥ ১৫০
ঢাঁহি ধৰি চোৰ কৰি অৰ্থক ঘটয়।
মিছা মাতি আনি ভাৰ্য্যা কুটুম্ব পোষয় ॥
যতেক বাঢ়য় ধন তভো নেৰে আশ।
নিতে নিতে টুতে আয়ু চাপে কাল পাশ ॥১৫১

হৰিত ভকতি নাই ব্যৰ্থ আয়ু যাই।
তাৰ ঘৰে আসি পাছে কলি লৱে ঠাই॥
কলি আসি কন্দল লগায়ে ৰাত্ৰি দিনে॥
কলি বাসা লয়ে আসি লৱে তাৰ থা ন ॥১৫২
পাপে হেছি যাই তল পুণ্য হৱে ক্ষয়।
মিছাসে জীৱন জানা ব্যৰ্থে আয়ু যায়,॥
চৰক মাৰয় গাৱে যিটো দুৰাশয়।
চৰণ প্ৰহাৰ কৰে কেশত ধৰয় ॥১৫৩
কদাচিতো হৰিক নপাৱে দুৰাশয়।
ইহাৰ প্ৰমাণ আৰে নৈয়োক উপায়॥
ঋতু সময়ত নাৰি কৰিব আলাপ।
ঋতু মাঝে নাৰি সঙ্গে হোৱে মহাপাপ ॥১৫৪
স্বধৰ্ম্ম হোৱয় নষ্ট আয়ু হোৱে ক্ষীণ।
বেশ্যাপতি বুলি তাক ভকতি বিহিন॥
কদাচিতো মহন্তে ইকাৰ্য্য নকৰয়।
যিটো গৃহে মাধৱক ভকতি কৰয় ॥১৫৫
যদি কোনো বেলা ভক্ত গৃহে যাইবেক।
আগ বাঢ়ি আনি তাক আসন দিবেক॥
সাদৰিয়া তাঙ্ক আনিবাক নানা ভাৱে।
পৰিয়া প্ৰণাম কৰিবেক দুই পাৱে ॥১৫৬

যদিবা নকৰে সেৱা নিন্দা নকৰিব ।
প্ৰীয় বাক্য বুলিয়া তাহাক পঠাইব ॥
কদাচিতো ভকতক নেদিবেক কষ্ট ।
যতেক আছয় পুন্য সবে হোৱে নষ্ট ॥ ১৫৭
সাক্ষী হুয়া কৰে যিটো ৰাজ সমাজত ।
তাহাৰ কাৰণ কহো শুনিয়ো সাক্ষাত ॥
যেতিক্ষণে চলি যাই ৰাজ সমাজক ।
আনক পুৰুষে চক্ষু মেলি চাৱে তাক ॥১৫৮
আজি পুত্ৰে সৰ্ব্ব নষ্ট কৰয় আমাক ।
এহি বুলি কম্পিবে লাগয় পিতৃ লোক ॥
অৰ্থত লাগিয়া মিছা কৰে যেতিক্ষণ ।
পিতৃলোক খপিয়া পৰম তেতিক্ষন ॥১৫৯
পিতৃ পুত্ৰ সবে দুইয়ো নৰকত পৰে ।
এহি জানি মিছা নকহিবা একো নৰে ॥
সত্য বাক্য প্ৰবৰ্ত্তিব নকহিব মিছা ।
পৰ ধন পৰ স্ত্ৰীক নকৰিব ইচ্ছা ॥১৬০
কৰি মোক ভক্তি মৰি গুৰু সঙ্গ পাই ।
নকৰিবা পাপ যম যাতনা ডৰাই ॥
অভ্যাস এৰিয়া যিটো হৰি নাম লয় ।
অনেক জন্মৰ পাপ সবে নষ্ট হয় ॥১৬১

হৰিত ভকতি নাই ব্যৰ্থ আয়ু যাই ।
তাৰ ঘৰে আসি পাছে কলি লৱে ঠাই ॥
কলি আসি কন্দল লগাৱে ৰাত্ৰি দিনে ॥
কলি বাসা লৱে আসি লৱে তাৰ থান ॥১৫২
পাপে হেছি যাই তল পুণ্য হৰে ক্ষয় ।
মিছাসে জীৱন জানা ব্যৰ্থে আয়ু যায়, ॥
চৰক মাৰয় গাৱে ঘিটো দুৰাশয় ।
চৰণ প্ৰহাৰ কৰে কেশত ধৰয় ॥১৫৩
কদাচিতো হৰিক নপাৱে দুৰাশয় ।
ইহাৰ প্ৰমাণ আৰে লৈয়োক উপায় ॥
ঋতু সময়ত নাৰি কৰিব আলাপ ।
ঋতু মাঝে নাৰি সঙ্গে হোৱে মহাপাপ ॥১৫৪
স্বধৰ্ম্ম হোৱয় নষ্ট আয়ু হোৱে ক্ষীণ ।
বেশ্যাপতি বুলি তাক ভকতি বিহিন ॥
কদাচিতো মহন্তে ইকাৰ্য্য নকৰয় ।
ঘিটো গৃহে মাধৱক ভকতি কৰয় ॥১৫৫
যদি কোনো বেলা ভক্ত গৃহে যাইবেক ।
আগ বাঢ়ি আনি তাক আসন দিবেক ।
সাদৰিয়া তাঙ্ক আনিবাক নানা ভাৱে ।
পৰিয়া প্ৰণাম কৰিবেক দুই পাৱে ॥১৫৬

যদিবা নকৰে সেৱা নিন্দা নকৰিব ।
প্ৰীয় বাক্য বুলিয়া তাহাক পঠাইব ॥
কদাচিতো ভকতক নেদিবেক কষ্ট ।
যতেক আছয় পুন্য সবে হোৱে নষ্ট ॥ ১৫৭
সাক্ষী হৈয়া কৰে যিটো ৰাজ সমাজত ।
তাহাৰ কাৰণ কহো শুনিয়ো সাক্ষাত ॥
যেতিক্ষণে চলি যাই ৰাজ সমাজক ।
আনেক পুৰুষে চক্ষু মেলি চাৱে তাক ॥ ১৫৮
আজি পুত্ৰে সৰ্ব্ব নষ্ট কৰয় আমাক ।
এহি বুলি কম্পিবে লাগয় পিতৃ লোক ॥
সাক্ষীত লাগিনা মিছা কৰে যেতিক্ষণ ।
পিতৃলোক খপিয়া পৰম তেতিক্ষণ ॥ ১৫৯
পিতৃ পুত্ৰ সবে ডুইয়ো নৰকত পৰে ।
এহি জানি মিছা নকহিবা একো নৰে ॥
সত্য বাক্য প্ৰবৰ্ত্তিব নকহিব মিছা ।
পৰ ধন পৰ স্ত্ৰীক নকৰিব ইচ্ছা ॥ ১৬০
কৰি মোক ভক্তি মৰি গুৰু সঙ্গ পাই ।
নকৰিবা পাপ যম যাতনা ডৰাই ॥
অভ্যাস এৰিয়া যিটো হৰি নাম লয় ।
অনেক জন্মৰ পাপ সবে নষ্ট হয় ॥ ১৬১

নজানিয়া পাপ কৰে বিচাৰ নহয় ।
অগম্য গমন পাপ এতেকে বোলয় ॥
গৰু তিৰি মাৰে যদি সুবৰ্ণ হৰয় ।
ব্ৰহ্মবধ মুখ্য কৰি আগ পাপ চয় ॥১৬২
পঞ্চম পাতকি যদি হোৱে কোন নৰে ।
একে নামে নষ্ট হোৱে কৈলো সাক্ষতৰে ॥
মাধৱ মাধৱ নাম যি জনে উচ্চৰে ।
তাহাৰ পাপৰ আলু পুৰি ভস্ম কৰে ।১৬৩
গোবিন্দ গোবিন্দ নাম যি জনে সুমৰে ।
তাৰ যম ৰাজা চাই লেখন গুছাৱে ॥
সহস্ৰ নামক যদি লয়ে নম্ৰ ভাৱে ।
তাহাৰ ভাগ্যৰ সীমা কোনে অন্ত পাৱে
নাম ধৰ্ম্ম সুমৰিতে যিটো হেলা কৰে
তাহাক পাপে কে আবৰিয়া বেঢ়ি ধৰে
যেন শিলা বান্ধিয়া সন্তৰ যেন প্ৰাণী
নিমিষেক তাহাক তলক নেই টানি ॥১৬৫
এহিমতে মৰিবেক সংসাৰ জলত ।
পাপ সৱ শিলা হৱে পাপীৰ গলত
হৰি গুৰু পদ সেৱা ভৈলা খান্দা ...োয় ।
গলে ধৰি কাটিয়া নামেসে ওপঙ্গাই ।১৬৬

নাহি ৰঙ্গ নাহি খঙ্গ নাহি বন্ধু আৰ।
গুৰু ব্যতিৰেকে বন্ধু নাহিকে সংসাৰ।
যত দেখা ভাৰ্য্যা পুত্ৰ সবে শত্ৰু জানি।
ইঠাৰাত প্ৰমাণ লৈয়োক সবে প্ৰাণী ॥ ১৬৭
কতো আবৰিয়া ধৰো কতোহো এৰাই।
এতেকেসে গুৰু মিত্ৰ জানিবা নিশ্চয় ॥
কোনো বেলা গুৰু যদি প্ৰহাৰ কৰয়।
লাভ মানি তাঙ্ক জানি কৰিবা বিনয় ॥ ১৬৮
গুৰুৰেসে জানিবন্ত দৈৱকী নন্দন।
কায়বাক্য মনে লৈয়ো গুৰুত শৰণ ॥
শুনিয়োক সৰ্ব্বজন পৰম গোপ্যনি।
গোপ্য নাম ধৰ্ম্ম ধৰি তৰিবা আপুনি ॥ ১৬৯
হৰিনাম কীৰ্ত্তনত নেৰিবা মনত।
ধৰ্ম্ম পুৰাণৰ ইতি কথা ৰহস্যত ॥
সৰ্ব্বজ্ঞানী এৰা অপৰাধ মূৰ্খ জানি।
যেন তেন মতে মাত্ৰ হৌক ৰাম বানি ॥১৭০
হৰিকেসে কহে বেদ ৰামায়ণ যত।
যত নাম মন্ত্ৰ সবে পিন্ধিয়া গলত ॥
কৃষ্ণৰ কিঙ্কৰে কহে কৰিয়া মিনতি।
বোলা ৰাম ৰাম সবে হৌক সদগতি ॥১৭১

———:0:———

ঢুলড়ি ।

আৰু এক কহো পৰম ৰহস্য
শুনিয়ো সবে সমাজ ।
হনুমন্ত আদি যত কপিগণ
ৰামৰ সাধিলা কাজ ॥
নাহি ৰূপ গুণ বনৰ ানৰ
থাকন্ত পৰ্ব্বত বনে ।
নাহি শৌচাচাৰ নিয়ম তা াৰ
ভজিয়া ৰাম চৰণে ॥ ১৭২
নানা কপিগণে ৰামৰ চ
কৰিলা দৃঢ় ভকতি ।
জাম্বৱন্ত আদি অঙ্গদ সঙ্গতি
চলিল ৰামৰ ভিতি ॥
হৰি হেন জানি পৰ্ব্বতক নি
সাগৰে সেতু বান্ধিলা ।
ৰামৰ কাৰ্য্যত শৰীৰ ত্য গিলা
লঙ্কা নগৰক গৈলা ॥ ১৭
লঙ্কা বেঢ়ি ধৰি নানা যুদ্ধ কৰি
ৰাক্ষস কৰিলা চম্ন ।

ৰাৱনৰ ভাতৃ বিভিষণে বীৰে
ৰামত লৈলা শৰণ ॥
ৰাম মহাসন্ত পৰম মহন্ত
বানৰক লগে লৈলা।
ৰাক্ষ মাৰিলা সীতা উদ্ধাৰিলা
ৰাৱনক মাৰি থৈলা ॥ ১৭৪
দুষ্টক দণ্ডিলা সন্তক পালিলা
কৰিলা মনুষ্য লীলা।
শত্রু ভাতৃ বুলি যিহেতু নামাৰি
বিভিষণে ৰাজ্য দিলা ॥
যাতো বিভিষণে ৰাক্ষস কুলত
পৰম আনন্দ ভৈলা।
ৰামৰ হিতক ৰাতি দিনে চিন্তে
ৰাখিলা এহি কাৰণে ॥ ১৭৫
ৰাজ্য ভাৰ যত ত্যাগিলা সমস্ত
ৰাৱণক গৈলা এৰি।
হিতবাক্য কই ৰামত ভজিলা
ৰহিলন্ত আদি ধৰি ॥
স্বৰ্গৰ দেৱতা আনিয়া ৰাঘৱে
ভালুক বানৰ কৰি।

অযোধ্যাত আসি ৰাজ্য ভোগ কৰি
পুনু স্বৰ্গে গৈলা লৰি ॥ ১৭৬
ৰাম স্বৰ্গে গৈলা এক থান ভৈলা
তাহাতে হুয়া যুগুত ।
ৰামদেৱ লগে সবে দেৱগণে
পুনৰ নামি ভুমিত ॥
মথুৰা গকুলে যত দেৱ গণে
চন্দ্ৰ সূৰ্য্য বংশ ভৈলা ।
বসুদেৱ সন্ত পৰম মহন্ত
তান্তে হৰি উপজিলা ॥ ১৭৭
দুষ্টক দণ্ডিলা সন্তক পালিলা
ধৰ্ম্ম পন্থ ৰক্ষা কৰি ।
যত যদুগণ আগত মৰিলা
বৈকুণ্ঠক গৈলা লৰি ॥
বংশক সংহৰি গৈলা পৰি হৰি
দেখিয়োক কেন কৰ্ম্ম ।
ভাৰ্য্যা পুত্ৰ যত মৰিলা সমস্ত
তথাপি নভৈলা মৰ্ম্ম ॥ ১৭৮
হেনয় ঈশ্বৰ আপোনাৰ বংশ
ৰাখিবাক নপাৰিলা ।

অনিত্য সংসাৰ কিছু নোহে সাৰ
এহিসে সাৰ দেখাইলা ॥
কৃষ্ণ অৱতাৰ যদু বংশগণে
দেখাইলা দশ প্ৰকাৰ।
বৈকুণ্ঠক গৈলা তহিতো নৰৈলা
পুনঃ ভৈলা অৱতাৰ ॥ ১৭৯
কৃষ্ণ অৱতাৰে যশোদাৰ ঘৰে
অসংখ্য ক্ৰীড়া কৰিলা।
সেহিসে কাৰণে প্ৰচাৰিবে লাগি
ভুমিক তুনাই আসিলা ॥
ব্ৰহ্মা ত্ৰিনয়ন মহাগৰ্ভ গণ
সমস্ত আসিলা লড়ি।
থায়ে থায়ে আসি সবেয়ো জন্মিলা
মহন্ত স্বৰূপ ধৰি ॥ ১৮০

———:0:———

ছবি।

এক সঙ্গে দেৱ হৰি মহন্ত স্বৰূপ ধৰি
পৃথিবীত ভৈলা অৱতাৰ।
অনেক ভকত লই কুসুম্বৰ ঘৰে গই
ভকতিক কৰিলা প্ৰচাৰ ॥

যেন কোন গৃহস্থৰ ঘৰে থাকে ব্যৱহাৰ
ভস্ম সবে যেন পূৰি থই।
কোন নৰে তৃণ লৈয়া অগণি জালয় গৈয়া
সবে অহঙ্কাৰ দূৰ হুই॥ ১৮১

সেহিমতে অহঙ্কাৰ কুজ্ঞান সংহা হৰি
নানা ভক্তি কৰিলা প্ৰচাৰ।
ভক্তক কৃপাৱে হৰি হাতে কাপ কাঠি ধৰি
আনিলন্ত অৰ্থ সাৰে সাৰ॥
নানা গীত কৰি তাক শঙ্কৰেসে কৰিলন্ত
নানামতে কৰি শাস্ত্ৰ সাৰ॥
নানা লোকে ভক্তি কৰি সংসাৰ যাইবে তৰ
সেহি হেতু সন্ত অৱতাৰ॥১৮২

সত্য যুগ যেবে গৈল দ্বাপৰ প্ৰবেশ ভৈল
ত্ৰেতা উপস্থিত আসি ভৈলা।
তিনিয়ো যুগত কৰি কলিসে অনৰ্থ হৈলা
সবে অমঙ্গল দূৰ কৈলা॥
নানা যুগ আগে গৈলা হৰি অৱতাৰ ভৈলা
হেনয় নাহিকে অৱতাৰ।
যাই পৃথিবীত জুৰি দিলা সবে ভৰি পুৰি
ভকতিৰ ভাঙ্গিলা ভাণ্ডাৰ॥১৮৩

ভক্তক কৰিয়া মৰ্ম্ম প্ৰচাৰিলা শুদ্ধ ধৰ্ম্ম
যেনমতে সংসাৰত ৰই।
যেনমতে নাম লৈব বৈকুণ্ঠত স্থিতি হৈব
এহি হেতু প্ৰচাৰ কৰই॥
আৰে মুধ জন যত ধৰিয়ো শঙ্কৰ যত
শাস্ত্ৰ বাক্য সদা লৈয়া তত্ত্ব।
সবাৰ্হত কৰিয়া বৰ বাক্য মহা গুৰুতৰ
সবে যাওঁ প্ৰভু ৰাঘৰত ॥১৮৪
পিতৃৰ বচন ধৰি বনবাসে গৈলা লৰি
সৰযু নদীৰ তীৰ পাইলা।
দশৰথ মৰিলন্ত বাৰ্ত্তা পাইলা ভগৱন্ত
বাক্য এৰি ফিৰিয়া নাসিলা॥
এহি সাৰ শাস্ত্ৰ জানি নেৰিবন্ত কোনো প্ৰাণী
নচাৰিবে গুৰুৰ বচন।
গুৰু আজ্ঞা শিৰে ধৰি থাকয় আনন্দ কৰি
এহমানে ভক্তিৰ লক্ষণ ॥১৮৫
আৰু এক কহো আৰে ভকতে মুকুতি পাৱে
নপাইবেক অধম পামৰ।
ভকতি মুকুতি দুইক অভকতে নপাৰয়
মৰিয়া যাইবেক যম ঘৰে॥

যেহেন কৈবৰ্ত্ত গণে মৎস্যক প্ৰকাশ মনে
জলে নানা জালক তাৰই।
অসংখ্যাত পাসি পাই তাতে মৎস্য লাগে জাই
কতো মৎস্য তাহাতে সাৰই ।১৮৬
যিটো মৎস্য সাৰি যাই বগলিৰ জু[illegible] ভৈলা
সুথান বিলত পাৰৰই।
বাঢ় কন্ধ জাল পাই পুৰাণ ভৈলেক পাসি
নানা শাস্ত্ৰ গুৰু পঙ্ক মই।
একোজালে নৰহিলা সংসাৰ পাতকী গণ
গুৰু আজ্ঞা ভঙ্গ কৰে আতি।
নানা শাস্ত্ৰ জ্ঞান কই পাপীৰ চেতন [illegible]ই
সিটো পাপী ভৈলা আত্মাঘাতী ॥১৮[illegible]
যাৰ যেন গঙ্গি হৈব সংসাৰ সাগৰে [illegible]ব
ঢউ বাজু আৰু কৰে তল।
কতো ওপঙ্গিয়া যাই কুম্ভীৰ মগৰে [illegible]ই
দেখা এহি জীৱৰ বিকল।
কতোবাৰ মৰি মৰি ভ্ৰমিয়া ফুৰিয়া [illegible]টো
তাহাৰ নাহিকে পাৰ কুল ॥
তাহাৰ তৰণি হেতু ৰাম নাম বান্ধা সেতু
গুৰুয়েসে জানা সবে মূল ॥ ১৮৮

শুনিয়োক নৰ নাৰি যিমতে তৰিবে পাৰি
সংসাৰ নিকাৰ দুঃখ যত।
নাহি বয় পাৰকুল গুৰুসে সবাৰ মূল
ধৰা সবে তান চৰণত ॥
সংসাৰ তৰিতে কাম গলে বান্ধা ৰাম নাম
হিয়ে ধৰা কৃষ্ণৰ চৰণ।
আৰ সবে কাম এৰি মুখে বোলা হৰি হৰি
লৈয়ো সবে কৃষ্ণত শৰণ ॥ ১৮৯

———:0:———

পদ।

আৰু এক কথা কহো শুনিয়ো সম্প্ৰতি।
গোপ্য নাম চিন্তি সবে তৰিয়ো তহিতি।
নিগুৰ্ণ হৰিৰ গুণ বিৰলে চিন্তিয়ো।
হৰি নাম নিৰমল আনন্দে মজিয়ো ॥১৯০
কপট ত্যেজিয়া সবে ৰাম নাম ধৰা।
অকপটে নাম লৈয়া সংসাৰক তৰা ॥
কপট থাকিলে নাম নকৰয় বাসা।
অকপট ভাৱে কৰা মাধৱক আশা ॥১৯১
মেৰি পামৰ মন চিন্তি বুদ্ধি আস।
কপটে ঢাকনে সমস্তকে কৰে নাশ ॥

যেহেন কৈবৰ্ত্ত গণে মৎস্যক প্ৰকাশ মনে
জলে নানা জালক তাৰই ।
অসংখ্যাত পাসি পাই তাতে মৎস্য লাগে জাই
কতো মৎস্য তাহাতে সাৰই ॥১৮৬
যিটো মৎস্য সাৰি যাই বগলিৰ জুই ভৈলা
সুখান বিলত পাৰৰই ।
বাঢ় কন্ধ জাল পাই পুৰাণ ভৈলেক পাসি
নানা শাস্ত্ৰ গুৰু পঙ্ক মই ।
একোজালে নৰহিলা সংসাৰ পাতকী গণ
গুৰু আজ্ঞা ভঙ্গ কৰে আতি ।
নানা শাস্ত্ৰ জ্ঞান কই পাপীৰ চেতন নাই
সিটো পাপী ভৈলা আত্মাঘাতী ॥১৮৭
যাৰ যেন গতি হৈব সংসাৰ সাগৰে থৈব
ঢউ বাজু আক কৰে তল ।
কতো ওপঙ্গিয়া যাই কুম্ভীৰ মগৰে খাই
দেখা এহি জীৱৰ বিকল ।
কতোবাৰ মৰি মৰি ভ্ৰমিয়া ফুৰিয়া সিটো
তাহাৰ নাহিকে পাব কুল ॥
তাহাৰ তৰণি হেতু ৰাম নাম বান্ধা সেতু
গুৰুয়েসে জানা সবে মূল ॥ ১৮৮

শুনিয়োক নৰ নাৰি যিমতে তৰিবে পাৰি
সংসাৰ নিকাৰ দুঃখ যত ।
নাহি বয় পাৰকুল গুৰুসে সবাৰ মূল
ধৰা সবে তান চৰণত ॥
সংসাৰ তৰিতে কাম গলে বান্ধা ৰাম নাম
হিয়ে ধৰা কৃষ্ণৰ চৰণ ।
আৰ সবে কাম এৰি মুখে বোলা হৰি হৰি
লৈয়ো সবে কৃষ্ণত শৰণ ॥ ১৮৯

——:0:——

পদ ।

আৰু এক কথা কহো শুনিয়ো সম্প্ৰতি ।
গোপ্য নাম চিন্তি সবে তৰিয়ো তহিতি ।
নির্গুণ হৰিৰ গুণ বিৰলে চিন্তিয়ো ।
হৰি নাম নিৰমল আনন্দে মজিয়ো ॥১৯০
কপট ত্যেজিয়া সবে ৰাম নাম ধৰা ।
অকপটে নাম লৈয়া সংসাৰক তৰা ॥
কপট থাকিলে নাম নকৰয় বাসা ।
অকপট ভাৱে কৰা মাধৱক আশা ॥১৯১
মেৰি পামৰ মন চিন্তি বুদ্ধি আস ।
কপট ঢাকনে সমস্তকে কৰে নাশ ॥

অহঙ্কাৰ সবে কপটক দূৰ কৰি ।
একান্তে ভজিয়ো দেৱ পূর্ণানন্দ হৰি ॥ ১৯২
দম্ভ অহঙ্কাৰক নেৰয় যিটো নৰে ।
সবে সুমঙ্গল কাৰ্য্য অমঙ্গল কৰে ॥
পৰম মঙ্গল নাম অমঙ্গল নাই ।
অহঙ্কাৰ তেজি হৰি ফুৰা গুণ গাই ॥১৯৩
আৰে নৰলোক কপটেসে মায়া জাল ।
কপট জনৰ একো কালে নাহি ভাল ॥
কপট কৈটভ ভাই তেজিয়ো যতনে ।
কপট তেজিয়া ভজা হৰিৰ চৰণে ॥১৯৪
কপটতে বাসা লৈয়া যত পাপ ৰাশি ।
ইহলোক দুঃখ পৰলোকে নৰ্ক বাসি ॥
হেন জানি নৰ কপটক ত্যাগ কৰা ।
দম্ভ অহঙ্কাৰ তেজি হৰি পাৱে ধৰা ॥ ১৯৫
সব গুৰু তেজি ভজিয়োক হৰি পাৱে ।
যিহেতু মুকুতি পদ পাৱে সেহি চাৱে ॥
অহঙ্কাৰ শূন্য যিটো জন মহাশয় ।
চক্ৰ ধৰি হৰি তাৰ পাশ নচাৰয় ॥১৯৬
বাসুদেৱ সম হৈব তাহাৰ মহিমা ।
তাহাৰ ভক্তিক কহি কোনে পাৱে সীমা ॥

দেৱ তীৰ্থ যাৱ পাছে পাছে কৰে তুতি ।
অমূল্য ভকতি পাই নলৱে মুকুতি ॥১৯৭
মুকুতি সুখক সিটো তুচ্ছ কৰি থই ।
সঘনে ভজয় সিটো হৰি নাম লই ॥
সিজানে যথাত গাই হৰিৰ চৰিত্ৰ ।
কিট পটঙ্গক সিটো কৰয় পবিত্ৰ ॥১৯৮
সিজনক দেখিলে অনেক পুণ্য পাই ।
তাহাৰ সঙ্গত সদা ভকতি মিলই ॥
ৰাত্ৰি দিনে পণ্ডিত নেবয় হৰি নাম ।
গৃহতে থাকিয়া সিটো পাৱে মুখ্য কাম ॥১৯৯
ধন্য কলিযুগ ভৈলা নামৰ প্ৰকাশ ।
যতেক পতিত মানে সবে ভৈলা দাস ॥
হৰি নাম নৌকা প্ৰায় গুৰুসে কান্দাৰি ।
শ্ৰবন কীৰ্ত্তন কৈয়ো বাহক আছাৰি ॥২০০
সেহি নৌকা পালে দানক দিবে লাগে ।
যতেক পতিত পাৰ হৱে ভাগে ভাগে ॥
যদি বোলা কিহেতু পতিত পাৰ হয় ।
পৰম পতিত থাকি হৰিক ভজয় ॥২০১
হৰি ভজি পতিতেসে সংসাৰ তৰয় ।
পতিত পাৱন নাম এতেকে বোলয় ॥

অহঙ্কাৰ সবে কপটক দূৰ কৰি।
একান্তে ভজিয়ো দেৱ পূর্ণানন্দ হৰি॥ ১৯২
দম্ভ অহঙ্কাৰক নেৰয় যিটো নৰে।
সবে সুমঙ্গল কার্য্য অমঙ্গল কৰে।
পৰম মঙ্গল নাম অমঙ্গল নাই।
অহঙ্কাৰ তেজি হৰি ফুৰা গুণ গাই॥ ১৯৩
আৰে নৰলোক কপটেসে মায়া জাল।
কপট জনৰ একো কালে নাহি ভাল॥
কপট কৈটভ ভাই তেজিয়ো যতনে।
কপট তেজিয়া ভজা হৰিৰ চৰণে॥ ১৯৪
কপটতে বাসা লৈয়া যত পাপ ৰাশি।
ইহলোক দুঃখ পৰলোকে নর্ক বাসি॥
হেন জানি নৰ কপটক ত্যাগ কৰা।
দম্ভ অহঙ্কাৰ তেজি হৰি পাৰে ধৰা॥ ১৯৫
সব গুৰু তেজি ভজিয়োক হৰি পাৰে।
যিহেতু মুকুতি পদ পাৰে সেহি চাৰে॥
অহঙ্কাৰ শূন্য যিটো জন মহাশয়।
চক্ৰ ধৰি হৰি তাৰ পাশ নচাৰয়॥ ১৯৬
বাসুদেৱ সম হৈব তাহাৰ মহিমা।
তাহাৰ ভক্তিক কহি কোনে পাৰে সীমা॥

দেৱ তীর্থ যাৰ পাছে পাছে কৰে তুতি ।
অমূল্য ভকতি পাই নলৱে মুকুতি ॥১৯৭
মুকুতি সুখক সিটো তুচ্ছ কৰি থই ।
সঘনে ভজয় সিটো হৰি নাম লই ॥
সিজান যথাত গাই হৰিৰ চৰিত্ৰ ।
কিট পটঙ্গক সিটো কৰয় পবিত্ৰ ॥১৯৮
সিজনক দেখিলে অনেক পুণ্য পাই ।
তাহাৰ সঙ্গত সদা ভকতি মিলই ॥
ৰাত্ৰি দিনে পঠন নেৰয় হৰি নাম ।
গৃহতে থাকিয়া সিটো পাৱে মুখ্য কাম ॥১৯৯
ধন্য কলিযুগ ভৈলা নামৰ প্ৰকাশ ।
যতেক পতিত মানে সবে ভৈলা দাস ॥
হৰি নাম নৌকা প্ৰায় গুৰুসে কান্দাৰি ।
শ্ৰবন কীৰ্ত্তন কৈয়ো বাহিক আছাৰি ॥২০০
সেহি নৌকা পালে দানক দিবে লাগে ।
যতেক পতিত পাৰ হৱে ভাগে ভাগে ॥
যদি বোলা কিহেতু পতিত পাৰ হয় ।
পৰম পতিত থাকি হৰিক ভজয় ॥২০১
হৰি ভজি পতিতেসে সংসাৰ তৰয় ।
পতিত পাৱন নাম এতেকে বোলয় ॥

যি পতিত নভজয় হৰিৰ চৰণ ।
এভব কুপত পৰি ৰৈলা সেহি জন ॥২০২
বিষ্ঠা পলু আদি কৰি ভুঞ্জিবে নিকাৰ ।
কৈখানি হৈবেক সিটো পতিত উদ্ধাৰ ॥
দুৰ্ল্লভ জনম পাই হৰি নভজিলা
জলত পৰিলা যেন গলে বান্ধি শিলা ॥২০৩
কলি ভব সাগৰত পৰি মৰৈ প্ৰাণী ।
যাতে নিস্তাৰয় কৃষ্ণ কথাক বাখানি ॥
অনিত্য দেহাক আত্মা বুদ্ধি কৰি মৰে ।
ঘোৰ সংসাৰত মায়া জালে পড়ি মৰে
ধন জন বস্ত্ৰ অলঙ্কাৰ যত যত ।
মৰিলে অবশ্যে কেহো নাজাৰে লগত ॥
বস্ত্ৰক লৰয় কাঢ়ি বিবস্ত্ৰ কৰয় ।
যিবা তনু গোট যেন জলত পেলায় ২০৫
মাটিত পোতয় কতো অগ্নিত পোৰয়
তথাপিতো মোৰ দেহা বুলিয়া কহয় ॥
মৃত্যু সময়ত দেখা কেনুৱা বিপতি
সুখ দেহা যমে নিলে নাহিকে সঙ্গতি ॥২০৬
একেশ্বৰে গৈলা সিটো পাপ পুণ্য সঙ্গে ।
পুণ্য ভৈলে বৈকুণ্ঠত থাকে মহাৰঙ্গে ॥

পাপ ভৈলে যম দুতে কৰয় তাৰণা।
নানা দুখ দিয়া তাক ভুঞ্জায় যাতনা॥
শুনিয়োক সৰ্ব্বজন দুখ যত যত।
এতেকেতে ধৰা সবে হৰি চৰণত॥
অভয় চৰণে ধৰি পশিয়ো শৰণ।
ভয় নিস্তাৰন্তা হৰি দুখানি চৰণ॥২০৮
কৃষ্ণৰ কিঙ্কৰে কহে কৰিয়া মিনতি।
বোলা ৰাম ৰাম সবে হৌক সদগতি॥
নেৰিবা মুখত নাম হস্তে কৰা কাম।
গুলাওক পাতেক ডাকি বোলা ৰাম ৰাম॥২০৯

——:0:——

লেছাৰি।

গৃহস্থ ধৰ্ম্ম যত যত গৃহতে থাকিয়ো লৈয়ো তত্ত্ব
গৃহতে থাকিয়া ভজিয়ো হৰি চৰণ।
ভাৰ্য্যা পুত্ৰ যত থাকি সঙ্গে লৈয়ো হৰি মহাৰঙ্গে
কেতিক্ষণে আসি ভাই মিলিবে মৰণ॥
লৈয়োক হৰিৰ নাম যান্তে মিলিবে মৰণ হাতেকি বাটে
মৰণ সময়ে আবে নাৰাখিবে যায়া।
ভাৰ্য্য পুত্ৰ যত শত্ৰু জানি সদায়ে নেৰিবা ৰাম বানি
ৰাম নাম বিষয়ত থাকি ভোল হুয়া।২১০

হৰি ভকতক নাদৰয় তাৰ কথা শুনি মহাশয়
নিশ্চয়ে পাছত সমুলক্কে যাই তল ।
যেন সাগৰত শিলা পৰে তাক পাইব আশা কোনে কৰে
জলহন্তে তাক নিস্তাৰিবে কোন জনে ॥
আশা সমুদ্ৰত পৰি নৰে উপজি উপজি সিটো মৰে
তাক নিস্তাৰন্ত কৃষ্ণৰ দুই চৰণে ।
যেহেন পঙ্গুৱা নলৰয় পৰ্ব্বতে চৰিবে নপাৰয়
সিটো কৰে যদি কৃষ্ণৰ চৰণে আশা ॥২১১
কৃষ্ণৰ স্বৰূপা ভৈলা তাত তাৰ পাপ ভৈলা সমাপত
অন্তকালে যায় বৈকুণ্ঠত লৱে বাসা ।
যেবে গৈলা সাতো বৈকুণ্ঠক কৌতুকে নাচন্ত আনন্দত
পৰম সন্তোষে থাকে হৰি গুণ গাই ॥
পৰম অমূল্য নাম পাই মাধৱৰ ৰূপ থাকে চাই
বৈকুণ্ঠক পাইলে তাহাৰ পতন নাই ।
যিটো প্ৰলয়ত অগ্নি লাগি সমস্তে ব্ৰহ্মাণ্ড যাই লাগি
অনন্ত মুখৰ অগ্নিয়ে কৰয়ে চাই ॥২১২
যত জীৱ মৰি উৰি যাই ব্ৰহ্মাত সমস্তে লৱে ঠাই
বৈকুণ্ঠ বাসিৰ এতেকে বিনাশ নাই ।
অমোচন পাপ কৰে যিটো নৰক ভুঞ্জিবে লাগে সিটো
নৰকৰ পৰা নিস্তাৰ নাহিকে তাৰ ॥
নৰকত থাকি পাপ কৰে পুণ্যে পুণ্যে পাছে হেছি ধৰে
সেহি পাতকীৰ গতি নাহি পুনৰ্ব্বাৰ ।

বন্ধুগণ যত মৰি গৈলা আপোনাৰ যাইবে দিন ভৈলা
তথাপিতো তাৰ চেতন নাহিকে মনে ॥২১৩
মৰি হৈবে বিষ্ঠা পলুপোক তাসম্বাৰ কতো হৈবে জোক
সিটো পাপিষ্টক নিস্তাৰিবে কোন জনে।
হৰি হৰি হৰি কিনো মন্দ নৰতনু পাই হইলো মন্দ
দেখিয়ো নেদেখে অজ্ঞান পামৰ নৰে॥
শাস্ত্ৰ সদাচাৰে সবে কয় শ্ৰৱন কীৰ্ত্তন ভক্তি হয়
তাহাক নমানি আত্মাঘাত কৰি মৰে।
শুনিয়োক আবে অভিপ্ৰায় আত পৰে আন পুণ্য নাই
হৰে শুদ্ধ যত জাতি মহাম্লেচ্ছ গণে ॥২১৪
পৰম বান্ধৱ হৰি নাম তাক যিটো লৱে অবিশ্ৰাম
তাত সাত কাৰ্য্য সাধিবে হৰি চৰণে।
দহয় পাতেক গণ যত পুণ্য হৱে তাৰ অসংখ্যাত
বিৰকতি তাৰ মিলিবেক বিষয়ত॥
কৃ[illegible] চৰণে প্ৰেম ভৈলা ভকতিয়ে ভৰি পুৰি ৰৈলা
পাৱয় বিষ্ণুৰ মহা মহা জ্ঞান তত্ব।
মা[illegible] দহিবে পায়ে যিটো এহি সাতকাৰ্য্য জানে সিটো
এহি সাত কাৰ্য্য বৈকুণ্ঠে কৰে গমন ॥২১৫
বৈকু[illegible]ত নামে তুলি থই তেবে হৰিৰ সান্ত হই
এহি অনুগ্ৰহ কৃষ্ণৰ দুই চৰণ।
অন্যে অন্যে মিলি গাৱে গীত নমো সদামাত্ৰ দিয়া চিত
নাম মাত্ৰ কহে নামকে কৰে স্মৰণ॥

৬

হৰি ভকতক নাদৰয় তাৰ কথা শুনি মহাশয়
নিশ্চয়ে পাছত সমুলঞ্চে যাই তল।
যেন সাগৰত শিলা পৰে তাক পাইব আশা কোনে কৰে
জলহন্তে তাক নিস্তাবিবে কোন জনে॥
আশা সমুদ্ৰত পৰি নৰে উপজি উপজি সিটো মৰে
তাক নিস্তাৰন্ত কৃষ্ণৰ দুই চৰণে।
যেহেন পঙ্গুয়া নলৰয় পৰ্ব্বতে চৰিবে নপাৰয়
সিটো কৰে যদি কৃষ্ণৰ চৰণে আশা ॥২১১
কৃষ্ণৰ স্বৰূপা ভৈলা তাত তাৰ পাপ ভৈলা সমাপত
অন্তকালে যায় বৈকুণ্ঠত লৱে বাসা।
যেবে গৈলা সাতো বৈকুণ্ঠক কৌতুকে নাচন্ত আনন্দত
পৰম সন্তোষে থাকে হৰি গুণ গাই॥
পৰম অমূল্য নাম পাই মাধৱৰ ৰূপ থাকে চাই
বৈকুণ্ঠক পাইলে তাহাৰ পতন নাই।
যিটো প্ৰলয়ত অগ্নি লাগি সমস্তে ব্ৰহ্মাণ্ড যাই গাগি
অনন্ত মুখৰ অগ্নিয়ে কৰয়ে চাই ॥২১২
যত জীৱ মৰি উৰি যাই ব্ৰহ্মাত সমস্তে লয় ঠাই
বৈকুণ্ঠ বাসিৰ এতেকে বিনাশ নাই।
অমোচন পাপ কৰে যিটো নৰক ভুঞ্জিবে লাগে সিটো
নৰকৰ পৰা নিস্তাৰ নাহিকে তাৰ॥
নৰকত থাকি পাপ কৰে পুণ্যে পুণ্যে পাছে হেছি ধৰে
সেহি পাতকীৰ গতি নাহি পুনৰ্ব্বাৰ।

বন্ধুগণ যত মৰি গৈলা আপোনাৰ যাইবে দিন ভৈলা
তথাপিতো তাৰ চেতন নাহিকে মনে ॥২১৩
মৰি হৈবে বিষ্ঠা পলুপোক তাসম্বাৰ কতো হৈবে জোক
সিটো পাপিষ্টক নিস্তাৰিবে কোন জনে।
হৰি হৰি হৰি কিনো মন্দ নৰতনু পাই হইলো মন্দ
দেখিয়ো নেদেখে অজ্ঞান পামৰ নৰে ॥
শাস্ত্ৰ সদাচাৰে সবে কয় শ্ৰৱন কীৰ্ত্তন ভক্তি হয়
তাহাক নমানি আত্মাঘাত কৰি মৰে।
শুনিয়োক আৰে অভিপ্ৰায় আত পৰে আন পুণ্য নাই
হৰে শুদ্ধ যত জাতি মহাম্লেচ্ছ গণে ॥২১৪
পৰম বান্ধৱ হৰি নাম তাক যিটো লৱে অবিশ্ৰাম
তাত সাত কাৰ্য্য সাধিবে হৰি চৰণে।
দহয় পাতেক গণ যত পুণ্য হৱে তাৰ অসংখ্যাত
বিৰকতি তাৰ মিলিবেক বিষয়ত ॥
কৃ[illegible] চৰণে প্ৰেম ভৈলা ভকতিয়ে ভৰি পুৰি ৰৈলা
পাৱয় বিষ্ণুৰ মহা মহা জ্ঞান তত্ত্ব।
মা[illegible] দহিৰে পায়ে যিটো এহি সাতকাৰ্য্য জানে সিটো
এহি সাত কাৰ্য্য বৈকুণ্ঠে কৰে গমন ॥২১৫
বৈকু[illegible]ত নামে তুলি থই তেবে হৰিৰ সান্ত হই
এহি অনুগ্ৰহ কৃষ্ণৰ দুই চৰণ।
অন্যে অন্যে মিলি গাৱে গীত নমো সদামাত্ৰ দিয়া চিত
নাম মাত্ৰ কহে নামকে কৰে স্মৰণ ॥

খণ্ড লেছাৰি ।

শুনা নৰলোক শাস্ত্ৰ সাৰ । নাহি আৰ ।
শাস্ত্ৰ সদাচাৰে দেখাৱয় নানা জ্ঞান ।
নেৰিবা নেৰিবা শাস্ত্ৰ বানি । তত্ত্বজানি ॥
জানিয়া হৰিক সদায়ে কৰিয়ো ধ্যান ॥২১৬
লৈয়ো লৈয়ো ভাই নাম লৈলা । যাইবে গৈলা ॥
যাই যমপুৰে কৰিবেক কোন কাম ।
যমৰ পুৰত ভক্তি পাই । প্ৰাণ যাই ॥
এহি জানি সবে ঘুষিয়োক ৰাম নাম ॥
ভকতেসে নাম নিতে পিয়ে । চিত্ত দিয়ে ।
অত্যন্ত স্বাদত ৰতি যাৰ নোপজয় ।
মহানুগ্ৰহত পৰে যদি । অৰ্থ ভেদি ॥
হৰিৰ নামক সুমৰিতে ঘনে ঘনে ॥ ২১৭
মুখে লৱে নাম বাৰম্বাৰ । জানি পাৰ ।
ইহলোকে পৰলোকে দুঃখ নাহি তাৰ ।
তাৰ পাছে পাছে হৰি আসি । থাকি হাসি ॥
গদা ধৰি হৰি ৰাখি ফুৰে বাৰম্বাৰ ॥
পশু শৰণিয়া ভক্ত নৰে । দম্ভ কৰে ॥
বহু শৰণিয়া কাৰ্য্যক বিনষ্ট কৰে ।

মহন্তৰ সঙ্গ যদি পাই। ইচ্ছা যাই ॥
মহন্ত সঙ্গত উশ্ব্য পুণ্য কৰি মৰে ॥ ২১৮
যিটো পাতকিয়ো নাম শুনে। মনে গুণে ॥
ইহাৰ সেৱাত সাধিবোহে কোনফল।
ধান গৃহ কৃত্য মনে ধৰে। নিন্দাকৰে ॥
পাছত সিজন সমূলঞ্চে যাই তল ॥
কতলোক হুয়া শাস্ত্র চাই। ৰঙ্গ পাই ॥
শাস্ত্রৰ গৰ্ব্বত কাহাকই নমানয়।
নামত বলেৰে পাপ কৰে। পাছে মৰে ॥
পাপৰ প্ৰলয় সেটো কোন নজানয় ॥ ২১৯
আৰু এক কহো শাস্ত্র সাৰ। মহন্তৰ ॥
মহন্ত সকলে কৰিবে ধৰ্ম্ম প্ৰচাৰ।
যদেবা ভাগুনা কথা কয়। বৃক্ষহয় ॥
সিজন জানিবা নহয় সংসাৰ পাৰ।
হৰি, হৰি হৰি কিনো মন্দ। ঘোৰদণ্ড ॥
ভজয় ভক্তক শক্ৰ বুদ্ধি নুগুছয়।
কিনো ঘোৰ দন্দ আসি ভৈলা। ভুলগৈলা ॥
ইটো পাপী নেয় সংসাৰৰ ধৰ্ম্মচয় ॥ ২২০
ভকতেসে বৰ ইটো কাল। ভৈলা ভাল ॥
হৰি নাম লৈলে সত্য বৈকুণ্ঠক পায়।

এহি জানি নাম হিয়ে ধৰা। যত্ন কৰা ॥
লৈয়ো হৰি নাম ফুৰিয়োক সবে গাই ॥
শুনা সভাসদ দিনে ৰাতি। কৰ্ণপাতি ॥
ইটো গ্রন্থপদ সমস্তে জগতে সাৰ।
কহিলা সমস্তে শাস্ত্র চাই। অৰ্থ পাই ॥
ইহাক শুনিয়া সংসাৰৰ হোৱে পাৰ ॥ ২২১
কৃষ্ণৰ কিঙ্কৰে বিৰচিলা। এহিলিলা ॥
সব অপৰাধ ক্ষেমিয়ো হৰি চৰণ।
বিচাৰি চাহিয়ো শাস্ত্র তত্ত্ব। সমাপত ॥
সবে সমাজিক হৰি হৰি বোলা ঘনে ॥ ২[illegible]

———:0:———

ঝুমুৰি ॥

নমো নমো কৃষ্ণ দেৱ।
তযু পাৱে কৰো সেৱ ॥
মই দুখীতক দায়া।
কৰিয়া গুছায়ো মায়া ॥ ২২৩
মোত পৰে পাপী নাই।
চৰণত দিয়া ঠাই ॥
চৰণৰ ভৃত্য বুলি।
তযু পদে নেয় তুলি ॥ ২২৪

দুৰ্ল্লভ পালোহো দেহা।
কুচিত কৰিলো বেহা ॥
কৰিলোহো ঘোৰ পাপ।
খেমিয়ো জগত বাপ ॥ ২২৫

কৈখানি মুকুত হৈবো।
চৰণত বাসা লৈবো ॥
কৰোহো কাতৰ স্বামী।
অধোগতি যাও আমি ॥২২৬

চৰণে উদ্ধাৰি নিয়া।
ভকতৰ সঙ্গ দিয়া ॥
পুত্ৰৰ ভাৰ্য্যাৰ সঙ্গে।
আছো মই মহাৰঙ্গে ॥২২৭

অন্তকালে হৈবো নাশ।
এতেকে কৰিলো আশ ॥
তযু পদ কমলৰ।
মই হৈবো মধুকৰ ॥২২৮

তাতে চুম্পি থাকিবোহো।
চৰণত মজি ৰৈবো ॥
বিষয়ে আকুল কৰি।
[illegible]লত লগায়ো জৰি ॥২২৯

বান্ধ মেলি মোক নিয়া ।
চৰণে শৰণ দিয়া ॥
কতোবাৰ মৰি মৰি ।
উপজিবো দেহা ধৰি ॥২৩০
একোৰো নহলো পাত্ৰ ।
নৰ্ক ভাগী ভৈলো মাত্ৰ ॥
যিবা দেহ, জ্ঞান, পালো ।
হাতে পাই হেকৰালো ॥২৩১
যেন অন্ধলোক পাৰে ।
লাথি ধৰি নেই ঘৰে ॥
মই সেহিমত প্ৰায় ।
চৰণত দিয়া ঠাই ॥২৩২
কাৰ্য্যৰ নভৈলো পাত্ৰ ।
তথাপি কৰিলো মাত্ৰ ॥
কৰিলো অদ্ভুত পাপ ।
ক্ষেমিয়ো জগত বাপ ॥২৩৩
জ্ঞানী সবে এবা দায় ।
ধৰ্ম্ম পুৰাণক চাই ॥
নানা শাস্ত্ৰ আগে থৈলো ।
সেহি জ্ঞান শাস্ত্ৰ কৈলে

গুৰুৰে দেখাৰে মাত্ৰ।
অৰ্থ ভাঙ্গি জ্ঞান শাস্ত্ৰ॥
যশ পৃথিবীক জুৰি।
ৰৈয়া আছে ভৰি পুৰি॥২৩৫
তাহাতো নভৈলা ৰতি।
তথাপি কৰিলো মতি॥
নানা পুৰাণক চাই।
আনিলোহো এহি ঠাই॥২৩৬
বহু পদ শ্লোক ভাঙ্গি।
কৰিলোহো শাস্ত্ৰ খানি॥
মতি অনুসাৰে চাই।
কৰিলোহো এক ঠাই॥২৩৭
শুনিয়োক সবে প্ৰাণী।
নিন্দা নকৰিবা জানি॥
কৰোহো কাকুতি নতি।
যেন মতে পাৰে গতি॥২৩৮
বঢ়া টুতা যেবে হৈলা।
প্ৰাৰ্থনা কৰিয়া ৰৈলা॥
দেহাক অৰ্পিলো পাৱে।
ঠাকুৰ চৰণ বাৰে॥২৩৯

নেৰিবাহা ইষ্ট গুৰু ।
তুমি মোৰ কল্পতৰু ॥
অনেক জন্মৰ ফলে ।
সেবিলো চৰণ তলে ॥ ২৪০
দিয়ো চৰণত সঙ্গ ।
নকৰিবা আশা ভঙ্গ ॥
পাৱে পৰি কৰো সেৱ ।
তুমি মোৰ নিজ দেৱ ॥ ২৪১
আত্মা তুমি বিনে নাই ।
সেবিলোহো গুৰু পায় ॥
সত্যে সত্যে গুৰু পাৱে ।
ভজিলোহো এহি ভাৱে ॥ ২৪২
নেৰিবা নেৰিবা মোক ।
জনম সাফল হৌক ॥
শুনিয়োক সৰ্ব্বজন ।
নামত দিয়োক মন ॥ ২৪৩
নামেসে বান্ধৱ জানি ।
নেৰিবন্ত সবে প্ৰাণী ॥
গুৰু পাৱে হিয়ে ধৰি ।
মুখে বোলা হৰি হৰি ॥ ২৪৪

লুপ্তৰত্ন উদ্ধাৰ।

লেছাৰি।

কৃষ্ণৰ চৰণে আশা কৰি গুৰুৰ চৰণ হৃদে ধৰি
ন্যায় কথা কহিবোহো কৰি সাৰোত্তৰ।
অন্যায় অধৰ্ম্ম সবত্যেজি গুৰুৰ চৰণ মনে ভজি
ভাবিয়া কৰো আপোন আত্মাক উদ্ধাৰ ॥২৪৫
চক্ষু কান নাসা হস্ত ভৰি শত্ৰু ভাবা জিহ্বা আদি কৰি
মৰণান্তে আপোনে গৈয়া হৈবন্ত সাথী।
লোভ মোহ কাম ক্ৰোধ গণ জ্ঞানেৰে ছেদিবা নৰগণ
...হৰিবা ভক্তিক গোবিন্দে ফুৰিবে ৰাখি ॥২৪৬
...ৰ পতি কৃষ্ণ তুষ্ট ভৈল তাৰ কিনো কাৰ্য্য নিশিজিল
...তৰিল নিজে তাৰিল আপোন বংশক।
সি... কৃষ্ণৰ ৰাঙা পাৱে নভজিল যিটে ভক্তি ভাৱে
...টে অনৰ্থক কৰিবন্ত জগতক ॥২৪৭
হেন জানি ...ৰ দৃঢ় কৰি ভজিবন্ত গোবিন্দ শ্ৰীহৰি
অন্যায় অধৰ্ম্ম আদি সব ত্যাগিবন্ত।
কুসুম্বৰ গৃহে আসি হৰি শঙ্কৰ স্বৰূপে অৱতৰি
ধৰ্ম্ম প্ৰকাশিয়া নৰক তাৰিলন্ত ॥২৪৮
ধন্য কলিকালে জন্ম লৈলো হৰিক মনতো নস্মৰিলো
বৃথা ... কৃষ্ণ আবে কলিৰ জনম।

ভবিষ্যত বাট শ্ৰীশঙ্কৰে দেখালে শাস্ত্ৰে নানা প্ৰকাৰে
নিচিনিয়া মাত্ৰ কৰো নিস্ফল জীৱন ॥২৪৯

নাজানিয়া নুগুণিয়ার্ণয় শাস্ত্ৰক নিন্দে বা বখানয়
নোৱাৰে ধৰিব তাৰ কিছু সাৰ তত্ব ।
বৈষ্ণৱ সকলে সদা কয় শঙ্কৰৰ লিখা মিছা নয়
ফলিবে কলিত আবে বাক্য আছে যত ॥২৫০

দ্বাদশ শাস্ত্ৰত যিবা কৈলা তাহাঙ্ক পঢ়িয়া কিবা পালা
মাত্ৰক কহিছে আমাসাৰ ভাল তৰে ।
নাজানিয়া নাভাবিয়া আমি বোলো বেয়াহৈল হেৰা স্বাৰ্থ
ভাবিচোৱা সাৱধান কৰিছে আমাৰে ॥২...

গঙ্গা ব্ৰহ্মপুত্ৰ নদী জলে যেন নাৱৰীয়া নাওঁ ব...
নদী পাৰ কৰা যেন নাৱৰ ঘাটই ।
সেহিমতে দেৱ শ্ৰীশঙ্কৰ না...ক বুলিব... ...ৰ
ভব সাগৰে কিবা হব লিখিছে বুজাই ২৫২

মধ্যে যেনমতে নদী জলে বালি ফুট... পৰে বোলে
নৌকা সব লাগি যায় তাত হোৱে বুৰ ।
কিন্তু যদি কোনো জনে পাছে আমুকত বালি ফুটনী আছে
বুলিয়া কহিয়া জনাই নৌকাৰ নৰ ॥ ২৫৩

তেন্তে খানে সেহি কৰি ভয় সতৰ্কে নাবিক নাৱ বায়
অতিবাহিত হৈয়া পৰে ৰক্ষা জী... ।

সেহিমতে দেৱ শ্ৰীশঙ্কৰে   লিখিয়া জনালে আমাসাৰে
এতেকে কলিত আহা হও সাৱধান ॥ ২৫৪
শাস্ত্ৰ ভাগৱতে লিখামতে   কলিত ফলিছে স্বৰূপতে
তেন্তে নৰ নকৰা উপায় কি কাৰণ ।
লিখিছে শাস্ত্ৰত অনাচাৰি   কলিত কালে দ্বিজে হব যাই
তেন্তে কিয় দ্বিজে ভাল নকৰে যতন ॥ ২৫৫
কলিত হব নৰ প্ৰবঞ্চনা   লিখিয়া আছে শাস্ত্ৰত জানা
তেন্তে নবে কিয় নহয় ধৰ্ম্মবান ।
অন্যায় অধৰ্ম্ম সব এৰা   হৰি পদে মাত্ৰ ভক্তি কৰা
সত্য নহৈবন্ত তেন্তে কোৱা কি কাৰণ ॥ ২৫৬
মাত্ৰ নিজ দোষে বেয়া হবা   যদি চেষ্টা কৰি নধৰিবা
[illegible]ঙ্কাৰ কৰিবে লাগি অতিজ নিয়ম ।
[illegible]জ নিয়মে সাৰে ধৰি   অতিজ নিয়মে শ্ৰমো কৰি
[illegible]তিজ নীতিত কৰি ধৰা শৃঙ্খলা নিয়ম ॥ ২৫৭

———:০:———

পদ ।

জা[illegible] ধন্য ধন্য কলি কালে ।
জনম লভিছো আমি ভালে ॥
চাৰি [illegible]গ মধ্যে কলি সাৰ ।
ৰামে [illegible]মে ভক্তি সিজে আৰ । ২৫৮

দ্বিজে অনাচাৰ কৰে কেন ।
ব্ৰহ্মতনু পোৱা বৰ তান ॥
সাত্বিক ভাবেৰে ভক্তি কৰা ।
তেবে ৰক্ষা যম দণ্ড পৰা ॥ ২৫৯
সাধুৱে নেৰিব আপোন ধৰ্ম্ম ।
কৰ্ম্মিয়ে নেৰিব আপোন কৰ্ম্ম ॥
যাহাৰ হৃদয়ে হিংসা যত ।
শাস্তিক লিখিবো তান কত ॥ ২৬০
যমৰ কিঙ্কৰে গলে ধৰি ।
নিবন্ত লগায়া দিয়া জৰি ॥
মাৰিবন্ত চৰ কিল ভুকু ।
কান্দিবে লাগিব হুকাহুকু ॥ ২৬১
জীৱন্তে কল্যান নহৈব[illegible] ।
মৰি মৰি নৰ্ক ভুঞ্জিবন্ত ॥
এতেকতে নৰ হিং[illegible]
সবল হৃদয়ে যত্ন কৰা ॥ ২৬
ভায়ে ভায়ে আদি দ্বন্দ্ব যত
তান শাস্তিক লিখিবো কত ॥
বেলেগ হোৱন্ত ভাই ভাই ।
তাহান শাস্তিৰ সীমা নাই ২৬৩

উভয়কে ধৰি যম দুতে ।
লোহাৰ চাবুক দিব দুতে ॥
জাৱন্তে কল্যাণ কৰু নাই ।
এতেকে বেলেগ নহবা ভাই ॥ ২৬৪
যি নৰে সদা গালিক পাৰে ।
তাহাৰ শাস্তি জীহ্বা উভাৰে ॥
যমৰ যাতনা নাহি এৰণ ।
যদি ভক্তি কৰে তবু পতন ॥ ২৬৫
কাৰণ তাহাৰ পাপ ভৈল ।
এতেকে ভক্তিয়ে এৰি দিল ॥
জনমে জনমে বৃথা হৈল ।
যি জনে লোকক গালি দিল ॥ ২৬৬
এতেকতে নৰ গালি নেদা ।
ইহ ক[illegible]তো নেখাবা খেদা ॥
[illegible]আদি এৰি ভজা হৰি ।
ক[illegible] তেন্তে হব তোহাৰি ॥ ২৬৭
[illegible]মনে মাত্র হৰি স্মৰা ।
যাই বৈকুণ্ঠে ইহ পৰা ॥
গোবিন্দৰ দাসে এহু ভণে ।
হৰি [illegible]ৰি বোলা সৰ্ব্বজনে ॥২৬৮

ঝূমূৰি ।

আপোন দেশক লাগি । নাহি যত্ন যাবা ভাগি ।
নাহি দেশ অনুৰাগ । সিটে পাব দুঃখ ভাগ ॥২৬৯
নিজ দেশ কৰা ৰক্ষা । নথবা মনত কক্ষা ॥
পৰাধীন নহৈবন্ত । স্বাধীনে যত্ন কৰিবন্ত ॥২৭০
পৰাধীনে যত্ন কৰি । স্বাধীন হব দুঃখ কৰি ॥
কালা ঘাটে কালী দেবি । সদায়ে থাকিব সেবি ॥২৭১
তাৰ ফলে কিবা হব । শ্বেত কৃষ্ণে দ্বন্দ হব ॥
অনন্তৰে কৃষ্ণে যাই । শ্বেতবোলৈ বন্ত ঠাই ॥২৭২
মহা ধনী জনে যত্ন । কৰি কৰে পাব ৰত্ন ॥
ঐকতা শ্ৰদ্ধাৰ বল । জিনিবন্ত ভূমণ্ডল ॥ ২৭৩
কাৰ সাধ্য বাধা দিয়ে । স্বয়ং প্ৰভু সাহ দিয়ে ॥
দেশ হিতে প্ৰাণ যাব । যাব সিটো নাহে আৰ ॥
ধন্য ধন্য তান কৰ্ম্ম । সিটে পাই মহাধৰ্ম্ম
আপোন দেশক পূজি । থাকিবন্ত স্বৰ্গ ভুঞ্জি ॥
হেন জানি আপোনাৰ । দেশ ৰক্ষা ক... ৰ ॥
তেবে জন্ম সাফলিব । ক্ষেত্ৰি ধৰ্ম্ম বিক...শব ॥২৭৬
ভাই ভাই দ্বন্দ এৰা । দেশানুৰাগ হৃদে ...ৰা ।
পিতৃ মাতৃ কৰে তুষ্ট । তেন্তে তোৰ কৃষ্ণ ইষ্ট ॥২৭৭
জয় কৃষ্ণ হৃদে বান্ধা । নাহি তান একো ঢান্ধা ॥
গোবিন্দৰ দাসে ভণে । হৰি বোলা সৰ্ব্বজনে ॥২৭৮

দুলড়ি ।

আত অনন্তৰে শুনা সব নৰে
কলিকালে সাৱধান ।
আপোন বৃত্তিক নেহেলা কাচিত
দেশে কৰা উপাৰ্জ্জন ॥২৭৯

সাগৰ সঙ্গম অতিকে দুৰ্গম
পাৰ হব বেহা কৰি ।
কৃষি বেহা কৰি খাব নিষ্ট কৰি
ৰাথ দেশ অস্ত্র ধৰি ॥২৮০

পিতা পুত্রে কভু দ্বন্দ নকৰিবা
ৰব পুত্র সেৱা কৰি ।
তেবেসে পুত্রৰ জন্ম সাফলিব
...ৰে গতি স্বৰ্গ পুৰি ॥২৮১

...ৰে পূজে সদা নৰে
সিটো হয় লক্ষ্মীবান ।
বস্তু আপদালে দুঃখ কোনো কালে
নোহে জানা জ্ঞানী জন ॥২৮২

দান ধ... কৰি সদা মন পুৰি
কৃষ্ণত অৰ্পিয়ো প্ৰাণ ।

তেন্তেসে কলিত লভিব শান্তিক
পৰে পাইব দিব্য থান ॥২৮৩
গোবিন্দত আশ নকৰা নৈৰাশ
ভক্তি মাগো তযু ঠাই ।
দাস গোবিন্দৰ ময় মুঢ় জন
দিয়া ভক্ত সঙ্গে ঠাই ॥২৮৪

———:0:———

পদ ।

প্ৰথম কালতে কৰা জ্ঞান উপাৰ্জ্জন ।
দ্বিতীয় কালতে কৰা দাৰা ৰত্ন ধন ॥
তৃতীয় কালতে কৰা হৰিক ভজন ।
চতুৰ্থ কালতে মিলে সবাৰ মৰণ মহ...
পৰ অন্ন ধন হেতু নকৰিব আ... ভাঁও ॥...৫
পৰশ্ৰী কাতৰে হয় জগত বিনাশ ॥
পৰস্পৰে হিংসা নৰ কদাপি নকৰ ।
ইটে সিটে স্নেহ কভু নেৰা অতঃপ... ॥২৮৬
জগত উন্নত যদি তুমি বাঞ্চা কৰা
শ্ৰমজীবি হই তেন্তে কৃষি বেহা ধৰা ॥

যেি়য়া দেখিব লোকে আপোন দুৰ্দ্দিন।
যেহি পাশে চাৱে সেহি পাশে হৈব হীন॥ ২৮৭
বিদ্যা বুদ্ধি আদি যবে মানবে লভিব।
পৰাধীন হবে লাগি অস্বিকাৰ হব॥
জ্ঞানে অজ্ঞানীক সজ পন্থক দেখাই।
কৰিব আপোন দেশত দিগ্‌বিজয়॥ ২৮৮
হৰি ভজি মাত্র সোহি সব কৰ্ম্ম পায়।
হৰিৰ বিহনে কোনে দিবন্ত সহায়॥
আপোন আপোন কৰ্ম্ম ভালে ভালে কৰা।
অবশ্যে লভিবা তুষ্ট তব কৰ্ম্ম পৰা॥ ২৮৯
জ্ঞানীৰ পন্থক অজ্ঞানে শিৰত ধৰি।
[illegible]ৰিব গমন কহো কহো সু-নিশ্চয় কৰি॥
[illegible]প্রয়াসে সিজি[illegible]ক স্বয়ং কৰ্ম্মচয়।
[illegible]ল কাৰ্য্য নহৈব নিৰ্ণয়॥ ২৯০
নৃপ[illegible]তিৰ [illegible]ত [illegible] কেঁৰে।
সবাৰো [illegible]ল হবে জানিবাহা তেবে॥
এ[illegible]কু[illegible]ৰলোক হেলা পৰিহৰা।
দেশ হিত লাগি সবে স্বাৰ্থ ত্যাগ কৰা॥২৯১
গোবিন্দৰ দ[illegible]স কহে কৰিয়া বিনতি।
বোলা ৰাম[illegible]ম পাপ যাওক অধোগতি॥

দুলৰি ।

আত অনন্তৰে শুনা সব নৰে
জীৱৰ কহো কল্যাণ ।
কৃষ্ণত অৰ্পিয়া সব কৰ্ম্ম দিয়া
হৰিত লোৱা শৰণ ॥২৯২
হৰিক ভাবিয়া উৎসব কৰিয়া
কৰিব হৰি পূজন ।
কৃষ্ণক চিন্তিয়া কৃষি বেহা কৰি
লভিবা ধন্য জনম ॥২৯৩
অসাৰ সংসাৰে মিছা মোহ এৰি
হৰিক বিশ্বাস কৰ ।
তেবেসে অন্তিমে নওহি ভগৱন্তে
কল্যাণ কৰে জীৱৰ ২[illegible]
ধন বস্তু আৰ্জি খাওঁ[illegible] ভাঙ্গ [illegible]জি
কিবা কৃত্য উপকাৰ ।
ধনী লৈয়া নাম কিবা ক[illegible] কাম
সবে ভৈল চাৰখাৰ ॥২৯[illegible]
ধনক পুতিয়া বি[illegible]জ[illegible] ৰাখয়
ভেকৰ জনম পায় । [illegible]

পুত্ৰ ভাৰ্য্যা ধন সবে অকাৰণ
কিছুৰে সাৰ নোহয় ॥২৯৫
ধনবান হই দীনৰ সহায়
হব ধনৱন্ত জন।
তেন্তেসে সিজনে স্বৰ্গক লভিব
ওপৰে চড়ি বিমান। ২৯৬
সকলো সময়ে দীন হীন প্ৰতি
হইব সদয় ধনী।
হিংসা এৰিবন্ত হিত চিন্তিবন্ত
হইবে জগত মানী। ২৯৭
কৃষ্ণৰ সহায়ে একত্ৰ বান্ধিয়ে
উদ্ধাৰাহ[illegible] ৰত্ন লুপ্ত।
[illegible]নে গুণি [illegible]ৰা সবে নষ্ট ভৈল
[illegible]ৱত নীতি যত। ২৯৮
গোবি[illegible]দে [illegible]াৰিবে আপদে
[illegible]ভক্তি কৰি ভজা পাৱ।
মু[illegible]লা ৰাম হন্তে কৰা কাম
[illegible]তৰিবা এ ভৱ পাৰ। ২৯৯
গোবিন্দ কিঙ্কৰ ময় মূঢ় নৰ
[illegible]ণামো তযু চৰণে।

ডুলৰি ।

আত অনন্তৰে শুনা সব নৰে
জীৱৰ কহো কল্যাণ ।
কৃষ্ণত অৰ্পিয়া সব কৰ্ম্ম দিয়া
হৰিত লোৱা শৰণ ॥২৯২
হৰিক ভাবিয়া উৎসব কৰিয়া
কৰিব হৰি পূজন ।
কৃষ্ণক চিন্তিয়া কৃষি বেহা কৰি
লভিবা ধন্য জনম ॥২৯৩
অসাৰ সংসাৰে মিছা মোহ এৰি
হৰিক বিশ্বাস কৰ ।
তেবেসে অন্তিমে ওহি ভগৱন্তে
কল্যাণ কৰে জীৱৰ ॥...
ধন বস্তু আৰ্জি ... ...
কিবা কৃত্য উপকাৰ ।
ধনী লৈয়া নাম কিবা কৰ কাম
সবে ভৈল চাৰখাৰ ॥২৯...
ধনক পুতিয়া বি জা ৰাখয়
ভেকৰ জনম পায় ।

পুত্র ভাৰ্য্যা ধন সবে অকাৰণ
কিছুৰে সাৰ নোহয় ॥২৯৫
ধনবান হই দীনৰ সহায়
হব ধনৱন্ত জন ।
তেন্তেসে সিজনে স্বৰ্গক লভিব
ওপৰে চড়ি বিমান ॥ ২৯৬
সকলো সময়ে দীন হীন প্ৰতি
হইব সদয় ধনী ।
হিংসা এৰিবন্ত হিত চিন্তিবন্ত
হইবে জগত মানী ॥ ২৯৭
কৃষ্ণৰ সহায়ে একত্ৰ বান্ধিয়ে
উদ্ধাৰাহা ৰত্ন লুপ্ত ।
নে গুণি ৰা সবে নষ্ট ভৈল
ৱৃত নীতি যত ॥ ২৯৮
গোবি দে তাৰিবে আপদে
ভক্তি কৰি ভজা পাৰ ।
মু লা ৰাম হস্তে কৰা কাম
তৰিবা এ ভৱ পাৰ ॥ ২৯৯
গোবিন্দ কিঙ্কৰ ময় মূঢ় নৰ
প্ৰণামো তযু চৰণে ।

শুনা সৰ্ব্বজন নেৰিবা কীৰ্ত্তন

ৰাম বুলিও সঘনে ॥ ৩০০

——:0:——

শগণাগ্নি বসু শশী শকত ।
আশ্বিন মাসস্ত কৃষ্ণ পক্ষত ॥
শুক্র বাসৰীয় ষষ্ঠী তিথিত ।
গৰ কৰণ মৃগশিৰা নক্ষত্ৰ ॥
পৰিঘ যোগ মিথুন ৰাশিত ।
সমাপতি ভৈল এহি দিনত ॥
জীৰ্ণ পুথি এক লোকত পালো ।
তাহাঙ্ক আনিয়া দুখে লেখিলো ॥
যথা দৃষ্ট হয় পূৰ্ব্ব লিখিত ।
তাহাঙ্ক লেখিকো মতি অল্পিই [illegible]
বঢ়া তুতা দোষ আছয় [illegible]
কৰিবা ক্ষমা সাধু পণ্ডিত ॥

অন্ত ।

——:0:——